সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩৮ সংখ্যা, ১ আহিন , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 38 Date Of Publication -18 September 2022 Rs.10.00/-

## প্ৰচণ্ড গৰম আৰু কম বৰষুণৰ বাবে বাঢ়িছে বিদ্যুতৰ বিল

ৰঙিলী বাৰ্ত্তাসেৱা- চৰকাৰে বিদ্যুতৰ বিলেৰে জ্বলা-কলা খুৱাইছে জনতাক। বিদ্যুতৰ অস্বাভাৱিক মাচুল বৃদ্ধিক লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে এইবাৰ এক জাননী জাৰী কৰি সবিশেষ জনালে এপিডিচিএলে। এপিডিচিএলে জাননীখনত উল্লেখ কৰিছে যে, "এ. পি. ডি. চি. এলৰ গ্ৰাহকৰ বাবে গুৰুত্বপূৰ্ণ সূচনা স্মাৰ্ট মিটাৰ সংযোগৰ বাবে বিদ্যুতৰ বিল বৃদ্ধি পোৱা সম্পৰ্কত বিভিন্ন বা কাকত আৰু সামাজিক মাধ্যমত বাতৰি লিখনি প্ৰকাশিত হোৱাটো আমাৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত জনোৱা হয় যে স্মাৰ্ট মিটাৰ সংস্থাপনৰ ফলত বিদ্যুত




বিল বৃদ্ধি নহয়। স্মাৰ্ট মিটাৰ হৈছে মিটাৰৰ বিডিং স্বয়ংক্ৰিয়ভাবে সংগ্ৰহ কৰাৰ দুমুখীয়া যোগাযোগ ক্ষমতা থকা এটি ইলেক্ট্ৰনিক মিটাৰ। বিদ্যুতৰ জোখ-মাখৰ ক্ষেত্ৰত পুৰণি ষ্টেটিক ইলেক্ট্ৰনিক মিটাৰ আৰু নতুন স্মাৰ্ট মিটাৰৰ মাজত কোনো পাৰ্থক্য নাই কাৰণ দুয়োটাই বৈদ্যুতিক মেট্ৰ'লজীৰ বাবে একেটা বিআইএছ মানদণ্ড অৰ্থাৎ আইএছ ১৩৭৭৯ অনুসৰণ কৰে। যোৱা কেইমাহমানত বহু গ্ৰাহকৰ মাহেকীয়া বিদ্যুতৰ বিল বৃদ্ধি হোৱাৰ কাৰণ এইটো হ'ব পাৰে যে যোৱা জুলাই আৰু আগষ্ট মাহত প্ৰচণ্ড গৰম আৰু বিগত মাহবোৰৰ তুলনাত কম বৰষুণৰ বাবে বিদ্যুতৰ ব্যৱহাৰ যথেষ্ট বৃদ্ধি পাইছে। তদুপৰি, প্ৰতি বছৰে জুলাই, আগষ্ট আৰু ছেপ্টেম্বৰ মাহত সমগ্ৰ ৰাজ্যতে সাধাৰণতে প্ৰচণ্ড গৰমৰ বাবে সকলো ঘৰুৱা গ্ৰাহকৰ বিদ্যুতৰ ব্যৱহাৰ বৃদ্ধি পায়।

## ভিক্টৰ দাসৰ গোচৰ সন্দৰ্ভত মহানগৰ আৰক্ষীলৈ পত্ৰ ডিজিপি ভাস্কৰজ্যোতি মহন্তৰ

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ আৰক্ষী প্ৰধান সঞ্চালক ভাস্কৰজ্যোতি মহন্তই ভিক্টৰ দাসৰ ওপৰত লগোৱা গোচৰৰ উত্তৰ বিচাৰি মহানগৰ আৰক্ষীলৈ এক পত্ৰ প্ৰেৰণ কৰে। জানিব পৰা মতে আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে শীঘ্ৰেই ভিক্টৰৰ ওপৰত লগোৱা ধাৰাৰ সবিশেষ তথ্য বিচাৰি পত্ৰখন প্ৰেৰণ কৰে। লগতে মহানগৰ আৰক্ষীক নিৰ্দিষ্ট সময়ৰ ভিতৰত পত্ৰৰ উত্তৰ দিব লাগিব বুলিও তেখেতে উল্লেখ কৰিছে। আৰক্ষী সঞ্চালকপ্ৰধান (ডিজিপি) ভাস্কৰজ্যোতি মহন্তই শনিবাৰে কৈছিল যে ভিক্টৰ দাসে বিষয়টোৰ ওপৰত কাৰ্যকৰী তথ্য প্ৰদান কৰিব পৰা নাই আৰু তথ্যৰ ভুল ব্যাখ্যা কৰিছে। তেখেতে সংবাদ মাধ্যমক কয় যে, ভিক্টৰে



পৰীক্ষা সন্দৰ্ভত লগোৱা অভিযোগৰ বিষয়টোৰ ওপৰত কোনো দৃঢ় প্ৰমাণ দিব নোৱাৰিলে। তেওঁ গোটেই ঘটনাটোৰ ভুল ব্যাখ্যা কৰিছে। ভিক্টৰ দাসৰ গ্ৰেপ্তাৰ সন্দৰ্ভত বিগত ১০ ছেপ্টেম্বৰত অসমৰ আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই এইদৰে মন্তব্য কৰিছিল যে, 'ভিক্টৰ দাসে দিব পৰা নাই সঠিক তথ্য। সি বেচেৰাই গোটেই বস্তুটো ভুলকৈ ৰিপ্ৰেজেণ্ট কৰিছে।'

## অসম আৰক্ষীৰ উপ পৰিদৰ্শক আৰু কনিষ্টবল পদৰ ফলাফল ঘোষণা

ৰঙিলী বাৰ্ত্তাসেৱা- ঘোষণা কৰা হ'ল অসম আৰক্ষীৰ বৃহৎ নিযুক্তিৰ ফলাফল। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি বোৰ্ডে ৱেবচাইটযোগে ঘোষণা কৰিলে অসম আৰক্ষীৰ নিযুক্তিৰ ফলাফল। জানিব পৰা মতে, অসম আৰক্ষী আৰু অসম আৰক্ষী কমাণ্ডো বেটেলিয়নত উপ-পৰিদৰ্শক (ইউবি আৰু এবি) লগতে কনিষ্টবল (ইউবি আৰু এবি) মুঠ ৫,২০০ টা পদৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছে। পৰীক্ষাত অৱতীৰ্ণ প্ৰাৰ্থীসকলে ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি বোৰ্ডৰ ৱেবছাইট http/www.slprbassam .in ত পৰীক্ষাৰ ফলাফল লাভ কৰিব পাৰিব। আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰ জ্যোতি মহন্তই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, এই পৰীক্ষাৰ মুঠ ৫২৬২ টা পোষ্টৰ বাবে মুঠ ৭,০৭,৩২৮ জন প্ৰাৰ্থীয়ে আবেদন কৰিছিল আৰু ইয়াৰ ভিতৰত ৫,২০০ জনে এই নিযুক্তি পৰীক্ষাত পাছ কৰে। ইয়াৰোপৰি তেওঁ জনায় যে, সংৰক্ষিত পোষ্টৰ ভিতৰত অসংৰক্ষিত ৪১ শতাংশ, অবিচি।এমঅবিচি ২৭ শতাংশ, এছ চি ৭ শতাংশ, এছ টি পি ১০ শতাংশ, এছ টি এইছ ৫ শতাংশ

( দুই পৃষ্ঠাত চাওক)

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনত বিশ্ব অভিলেখ



ৰঙিলী বাৰ্ত্তাসেৱা-প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২ সংখ্যক জন্মদিন উপলক্ষে স্বাস্থ্য মন্ত্ৰালয়ে আয়োজিত কৰা ৰক্তদান অমৃত মহোৎসৱত এক নতুন অভিলেখ সৃষ্টি হয়। এই সময়ছোৱাত, এদিনত ৮৭ লাখ লোকে স্বেচ্ছামূলক ৰক্তদান কৰিছিল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী মনসুখ মাণ্ডাৱিয়াই নিজেই টুইট কৰি এই কথা জনায়। স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে টুইট কয় যে স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে টুইট কয় যে "আজি মই ক'বলৈ পাই আনন্দিত যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনত ৮৭ হাজাৰৰো অধিক লোকে #RaktdaanAmritMahotsav অধীনত স্বেচ্ছাই ৰক্তদান কৰিছে, যিটো এক নতুন বিশ্ব অভিলেখ। এইটো আমাৰ প্ৰিয় প্ৰধান সেৱকৰ বাবে দেশৰ পৰা এক অমূল্য উপহাৰ।" দৰাচলতে, প্ৰধানমন্ত্ৰী মোদীৰ ৭২ তম জন্মদিন উপলক্ষে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নাগৰিকসকলক আৰোগ্য সেতু এপ বা ই-ৰক্তকোষ পৰ্টেলত 'ৰক্তদান অমৃত মহোৎসৱ' হিচাপে ৰক্তদান কৰিবলৈ পঞ্জীয়ন কৰিবলৈ অনুৰোধ জনাইছিল। মাণ্ডাৱিয়াই টুইট কৰিছে, "ৰক্তদান - মহাদান। মানৱতাৰ এই কামত যোগদান কৰি মন সুখী। আপুনিও এই মহান কাৰ্য্যৰ অংশ হওঁক।" -

## নলবাৰী জিলাৰ বৰভাগত অমৃত সৰোবৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন

ৰঙিলী বাৰ্ত্তাসেৱা- নলবাৰী জিলাৰ বৰভাগৰ ৪৯(৩) নং উপৰ বৰভাগ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৰাইটকুছিত অমৃত সৰোবৰ প্ৰকল্প এটাৰ আধাৰশিলা স্থাপন কৰা হয়। ৰাজ্য চৰকাৰৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে প্ৰকল্পটোৰ আধাৰশিলা স্থাপন কৰে। মিচন অমৃত সৰোবৰ আঁচনিৰ ১৩.৪৮ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগা প্ৰকল্পটোৰ



( দুই পৃষ্ঠাত চাওক)

# আগন্তুক ১৪ অক্টোবৰত মুক্তি পাব ক্ৰেয়ন ফ্ৰী প্ৰডাকছনৰ পৰৱৰ্তী চিনেমা ঘোষ্ট অৱ মাইখুলি

ৰঙিলী বাৰ্তাসেৱা- আগন্তুক ১৪ অক্টোবৰত ক্ৰেয়ন ফ্ৰী প্ৰডাকছনৰ গীতা পাঠকৰ প্ৰযোজনা আৰু পংকজ চোৰাম পৰিচালিত চিনেমা ঘোষ্ট অৱ মাইখুলি মুক্তি দিয়া হ'ব। সেই উপলক্ষে আজি গুৱাহাটীৰ মেট্ৰিক্স চিনেমাত চিনেমাখনৰ সকলো কলা কুশলীৰ উপস্থিতিত পোষ্টাৰ আৰু ট্ৰেইলাৰ মুকলি কৰা হয়। মুক্তিৰ বাবে সাজু হৈ উঠা ঘোষ্ট অৱ মাইখুলিৰ পোষ্টাৰ আৰু ট্ৰেইলাৰ মুকলি কৰাৰ বাবে আয়োজিত এই বিশেষ অনুষ্ঠানত মুখ্য অতিথি হিচাপে জনপ্ৰিয় অভিনেতা ৰবি শৰ্মা আৰু জনপ্ৰিয় পৰিচালক হিমাংশু প্ৰসাদ দাস উপস্থিত থাকে। ইপিনে, এই চিনেমাখনৰ কাহিনী পংকজ চোৰাই ৰচনা কৰিছে। লগতে, পংকজ চোৰাম আৰু চন্দ্ৰ কুমাৰ দাসে চিত্ৰনাট্য কৰিছে। আনহাতে, ফিল্ম স্ক্ৰিপ্ট




পংকজ চোৰাম আৰু অংকুৰ ডেকাৰ। সংলাপ পংকজ চোৰাম, চন্দ্ৰ কুমাৰ দাস, প্ৰনৱ কলিতা, ৰূপম শৰ্মাৰ। মুখ্য সহকাৰী পৰিচালক ৰূপম শৰ্মা, সহকাৰী পৰিচালক প্ৰশান্ত চেলেংগ, সুমন দাস। চিত্ৰগ্ৰহণ চন্দ্ৰ কুমাৰ দাসৰ। সহযোগী চিত্ৰগ্ৰহণকাৰী চিৰঞ্জিত ৰামচিয়াৰী আৰু সহকাৰী চিত্ৰগ্ৰহণকাৰী পৰশমনি বৰা, মিন্টু বৰ্মন, সুশান্ত বৰ্মন। সম্পাদনা ধীৰাজ মজুমদাৰৰ সহকাৰী সম্পাদক হীৰকজ্যোতি পাঠক। ৰং সঞ্চাৰণ শ্যামল দাসৰ ।শব্দ পৰিকল্পনা দেৱজিত গায়নৰ আৰহ সংগীত ব্যচহল (মনদীপ তাৰো)। এক্সন কৰিঅ'গ্ৰাফাৰ পংকজ চোৰাম, জনী ডালং, মানস দৈমাৰী। ৰূপসজ্জা অনুপ বৰুৱা, কিংকু বড়ো, নয়ন ভূএগ্ৰা, জয়শ্ৰী দাসৰ বুলি চিনেমা পৰিচালকে জানিবলৈ দিয়ে। ইয়াৰ লগতে, চিনেমাখনত বাহাৰুল ইছলাম, কমল লোচন ডেকা, ডধী ভৰদ্বাজ, সন্ধ্যা হাজৰিকা, জুলি লস্কৰ, পংকজ চোৰাম, কুনাল শৰ্মা, ৰাজীৱ ক্ৰ, প্ৰিঞ্চি মহন্ত, পৱন বৰুৱা, বিনোদ লাল দাস, ৰূপম শৰ্মা, প্ৰদীপ বৰুৱা, প্ৰদ্যুত বিকাশ দাসে অভিনয় কৰিছে।

# দক্ষিণ গুৱাহাটী মণ্ডল কিষাণ মৰ্চাৰ কাৰ্যনিৰ্বাহক সভা

ৰঙিলী বাৰ্তাসেৱা- বিজেপিৰ দক্ষিণ গুৱাহাটী মণ্ডলৰ কিষাণ। মৰ্চাৰ কাৰ্যনিৰ্বাহক পঢ়া অনুষ্ঠিত হৈ যায়। পুৱা ওডালবাক্ৰাৰ বিষ্ণু উদ্যানত পতাকা উত্তোলন আৰু বৃক্ষৰোপণৰ সভাৰ কৰ্মসূচী আৰম্ভ কৰা হয়। দক্ষিণ গুৱাহাটী মণ্ডলৰ বিজেপিৰ কিষাণ মৰ্চাৰ সভাপতি অমিত অধিকাৰীয়ে পতাকা উত্তোলন কৰে আৰু ইয়াৰ পিছতে মূল কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয় য'ত দক্ষিণ গুৱাহাটী মণ্ডলৰ প্ৰায় ৫০ জন সদস্য উপস্থিত থাকে। সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকে বিজেপিৰ মুখপাত্ৰ পংকজ বৰবৰা। বৰবৰাই কৰ্মীসকলক সৰ্বসাধাৰণ জনতাৰ পক্ষত সদায় থিয় হৈ থাকিবলৈ আহ্বান জনাই বিজেপিক অধিক শক্তিশালী কৰিবলৈ উদ্বুদ্ধ



কৰে। আনহাতে দক্ষিণ গুৱাহাটী মণ্ডলৰ কিষাণ মৰ্চাৰ সভাপতি অমিত অধিকাৰীয়ে অঞ্চলভিত্তিক সমস্যাৰ ওপৰত গুৰুত্ব দি বিজেপিৰ সমূহ কৰ্মকৰ্তাক দলটো শক্তিশালী কৰিবলৈ আহ্বান জনায়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে ৰমেন দাস।

# ভিক্টৰ দাসৰ সপক্ষে মাত মাতিছে বিদ্যালয়ৰ অভিভাৱকে

ৰঙিলী বাৰ্তাসেৱা- অসম চৰকাৰৰ নিযুক্তি পৰীক্ষাত ধনৰ লেনদেন হোৱাৰ অভিযোগ তুলি গ্ৰেপ্তাৰ হোৱা ভিক্টৰ দাসক আৰক্ষীয়ে মাৰাথন জেৰা অব্যাহত ৰাখিছে। আনহাতে ভিক্টৰ দাস প্ৰকৃততে অসম চৰকাৰৰ অধীনৰ এজন টেট শিক্ষক বুলি জানিব পৰা গৈছে। দুটাকৈ ক'চিং চেণ্টাৰ পৰিচালনা কৰা ভিক্টৰৰ পৰিচয় প্ৰাথমিক বিদ্যালয়ৰ টেট শিক্ষক। আৰক্ষীৰ হাতত পৰা তথ্য অনুসৰি ভিক্টৰ দাসে ২০২১ চনৰ পৰা কমলপুৰৰ পূব পানীটেমা ৰাধাকৃষ্ণ যুগল মিলন প্ৰাথমিক বিদ্যালয়ত চৰকাৰী শিক্ষক হিচাপে চাকৰি কৰি আছে। এই বিদ্যালয়ত যোগ দিয়াৰ পূৰ্বে তেওঁ মালিগাঁৱৰ আন এখন



বিদ্যালয়ত কৰ্মৰত আছিল। আনহাতে চৰকাৰী চাকৰিয়াল হৈয়ো ক'চিং চেণ্টাৰ চলাই থকা বিষয়টোও এতিয়া আৰক্ষীয়ে তদন্তৰ আওতালৈ অনা বুলি জানিব পৰা গৈছে। ইফালে স্থানীয় জনতাই আৰক্ষীক ভিক্টৰ দাসৰ বিদ্যালয়ত উপস্থিতি অনিয়মীয়া বুলি অভিযোগ কৰাৰ কথাও জানিব পৰা গৈছে। তেওঁ প্ৰায়ে সঠিক সময়ত বিদ্যালয়ত উপস্থিত নহয় আৰু শ্ৰেণীকোঠাত থকাৰ সময়তো ক'চিং চেণ্টাৰৰ অনলাইন ক্লাছ লৈ থকাৰ গুৰুতৰ অভিযোগ উঠিছে। কিন্তু ইয়াৰ মাজতে ভিক্টৰ দাসৰ সপক্ষে মাত মাতিছে বিদ্যালয়ৰ অভিভাৱক সকলে। ভিক্টৰ দাস এজন সফল শিক্ষক বুলি অভিহিত কৰি অতি সোনকালে আইনী মেৰপেচৰ পৰা ভিক্টৰ দাসক মুকলিৰ দাবী তুলিছে বিদ্যালয়ৰ অভিভাৱকসকলে। সংবাদ মাধ্যমৰ আগত অভিভাৱক সকলে কয় যে, 'ভিক্টৰ দাস এজন সফল শিক্ষক। বিভিন্ন নতুন নতুন পদ্ধতিৰে শিক্ষাদান কৰিছিল। ভিক্টৰ দাসে শিক্ষাৰ্থীক বহুত মৰম কৰে। আমাৰ ল'ৰা -ছোৱালীক বহী, কলম কিনি দিয়ে ভিক্টৰ ছাৰে।'

# গুৱাহাটীত নতুনকৈ সংযোজন হ'ল এক বিলাসী ৰেষ্টুৰেণ্ট 'আজাদ'

ৰঙিলী বঙ্গৰ্তাসেৱা- গুৱাহাটীৰ উলুবাৰী বৰাজ আৰ্কিডত এখন বিশেষ ৰেষ্টুৰেণ্ট মুকলি কৰা হয়। ২৩ বছৰীয়া যুৱক ছামছুদ্দিন আল্টামচৰ এই বিশেষ ৰেষ্টুৰেণ্ট খনত নৰ্থ-ইণ্ডিয়াৰ পৰা আদি কৰি তণ্ডুৰি বিশেষ ব্যঞ্জন উপলব্ধ থাকিব। আগন্তুক দুৰ্গা পুজাৰ প্ৰাক্কক্ষনত ৰেষ্টুৰেণ্টখনত ব্যাপক হাৰত গ্ৰাহকৰ সমাগম হ'ব বুলি ৰেষ্টুৰেণ্টখনৰ মুখ্য চেফ ফাৰুক আহমেদে জানিবলৈ দিয়ে। এই ৰেষ্টুৰেণ্টখন জনপ্ৰিয় অভিনেত্ৰী নিশিতা গোস্বামীয়ে মুকলি কৰে।



ৰেষ্টুৰেণ্টখন মুকলি কৰি অভিনেত্ৰী গৰাকীয়ে কয় যে, "ইমান কম মূল্যত ইমান সোৱাদ ভৰা ব্যঞ্জন অন্য ৰেষ্টুৰেণ্টত পাম বুলি ভবা নাই। আজাদৰ ব্যঞ্জনে সঁচাকৈয়ে মানুহক আকৰ্ষিত কৰিব বুলি মোৰ বিশ্বাস আছে।"

# জলসম্পদ বিভাগৰ চাকৰিৰ নামত দালালি

ৰঙিলী বাৰ্তাসেৱা- দিছপুৰ আৰক্ষীৰ জালত পৰিল চৰকাৰী চাকৰিৰ নামত দালালি কৰা ৭টা দালাল। ৭ দালালে জলসম্পদ বিভাগৰ চাকৰিৰ তালিকা প্ৰস্তুত কৰিছিল। জলসম্পদ বিভাগৰ চাকৰিৰ তালিকা প্ৰস্তুত কৰি থকাৰ সময়তে দিছপুৰ আৰক্ষীৰ জালত পৰিল দালালকেইটা। দালালকেইটাই বৰবাৰীৰ জিডি ল'জত বাহৰ পাতি আছিল। দিছপুৰ আৰক্ষীয়ে গুৱাহাটীৰ



হেঙেৰাবাৰীৰ পৰা দালালকেইটাক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা দালালকেইটা কাহিলীপাৰাৰ নয়ন শইকীয়া, মঙলদৈৰ চিৰাজুল হক, নলবাৰীৰ গোবিন্দ চৌধুৰী, নুৰ ইছলাম আহমেদ, প্ৰাঞ্জল বৰ্মণ, বশিষ্ঠৰ জয়ন্ত ডেকা আৰু গোৱালপাৰাৰ জয়ন্ত দাস।

# অসম আৰক্ষীৰ উপ

আৰু ইডব্লিউএছ ১০ শতাংশ নিযুক্ত হৈছে। অসম চৰকাৰে নতুনকৈ সৃষ্টি কৰা অসম কমাণ্ডো বেটেলিয়নৰ বাবে কনিষ্টবল এবি পোষ্টত ২৪৪২ জন নিযুক্ত হয়।

# নলবাৰী জিলাৰ

আধাৰশিলা স্থাপন কৰি পাটোৱাৰীয়ে কয় সৰোবৰৰ চৌপাশে গছ-গছনি ৰোপণ পাৰ্ক নিৰ্মাণ কৰি পৰ্যটনৰ পৰিবেশ গঢ়ি তোলা হ'ব । তেওঁ আঁচনিখন আত্মসহায়ক গোটক হস্তান্তৰ কৰাৰ কথা প্ৰকাশ কৰে যাতে গোটসমূহে উৎপাদন কৰি স্বাৱলম্বী হ'ব পাৰে। বৰক্ষেত্ৰীৰ প্ৰাক্তন বিধায়ক নাৰায়ন ডেকাই আঁত ধৰা অনুষ্ঠানটোত নলবাৰীৰ উপায়ুক্ত গীতিমনি ফুকন, বিজেপিৰ জিলা সভাপতি ডাঃ মৃগাংক তালুকদাৰ, সম্পাদক পুলক শৰ্মা, নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকা, মুখ্য কাৰ্যবাহী বিষয়া জয়ন্ত কুমাৰ গোস্বামী, বৰভাগ উন্নয়ণ খণ্ডৰ খণ্ড উন্নয়ণ বিষয়া অপূৰ্ব কুমাৰ চক্ৰৱৰ্তী আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# মহানগৰৰ 'পদপথ'বোৰ বৰ্তমান সময়ত মানুহে খোজ কাঢ়ি অহা-যোৱা কৰিব পৰা 'পথ' নহয়


ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী মহানগৰত সততে সৃষ্টি তীব্ৰ যান-জঁটে যাত্ৰীসকলক প্ৰায়ে হাৰাশাস্তি সন্মুখীন কৰোৱাটো নতুন কথা নহয়। কিন্তু ইয়াৰ বিপৰীতে এতিয়া মহানগৰৰ পদপথসমূহত বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানৰ উপৰিও, বহু লোকে নিজৰ বাহন সমূহ পাৰ্কিং কৰাৰ ঠাই হিছাপে ব্যৱহাৰ কৰাত অন্য এক সমস্যাৰ সৃষ্টি হৈছে। যানবাহন আইন উলংঘা কৰি সুদীৰ্ঘ দিন ধৰি অব্যাহত থকা অবৈধ পাৰ্কিং ব্যৱস্থাই জনজীৱন বিপদাপন্ন কৰি তুলিছে। বিশেষকৈ পদপথসমূহ কেৱল পদপথেৰে অহা-যোৱা কৰা যাত্ৰী সকলৰ ব্যৱহাৰৰ বাবেহে।সেয়ে পদপথত ৰখাই থোৱা বাহনে অন্য এজনৰ জীৱনলৈ বিপদ মাতি অনাৰ লগতে দৈনিক সমস্যাৰ সন্মুখীন কৰে। কিন্তু এই সকলো জানিও জধে-মধে গঢ়ি উঠা একাংশ ব্যক্তিগত প্ৰতিষ্ঠানৰ সন্মুখৰ পদপথত গঢ়ি উঠা বাহনৰ পাৰ্কিঙে অনাগত দিনত অধিক সমস্যাৰ সৃষ্টি কৰিব। উল্লেখযোগ্য যে মহানগৰৰ আৰ জি বৰুৱা পথৰ কাষতে থকা চিটি চেণ্টাৰ মলৰ বাবে এতিয়া দৈনিক মলটোৰ সন্মুখেৰে অহা-যোৱা কৰা সাধাৰণ লোকসকল হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছে।কাৰণ চিটি চেণ্টাৰ মলৰ সন্মুখৰ পদপথত দৈনিক মলটোৰ কৰ্মচাৰী আৰু গ্ৰাহকে দপথৰ ওপৰতে আইন উলংঘা কৰি দুচকীয়া বাহন পাকিং কৰাৰ প্ৰতিযোগিতাত নামি পৰিছে। যাৰ বাবে মলটোৰ সন্মুখেৰে এতিয়া সাধাৰণ নাগৰিকে পদপথেৰে খোজকাঢ়ি অহাৰ কথাটো বাদেই কাষতে থকা কেইবাটাও চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, সংবাদ প্ৰতিষ্ঠানৰ কৰ্মীসকল কাৰ্যালয়লৈ অহাৰ ক্ষেত্ৰতো অসুবিধাৰ সৃষ্টি হৈছে।চিটি চেণ্টাৰৰ কৰ্মচাৰীয়ে সমগ্ৰ পদপথটো বাহনৰ পাকিংস্থলী কৰি তোলাত এতিয়া স্থনীয় লোকসকলেও প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে যাৰ পৰিপেক্ষিতত পদপথৰ নামত থকা অকণমাণ ঠাই এতিয়া পথাচাৰী অহা-যোৱা কৰিবলৈ নিৰ্মাণ কৰা হৈছে নে



বাহনৰ পাকিং কৰিবলৈ দিয়া হৈছে সেইক্ষেত্ৰত প্ৰশ্নৰ সৃষ্টি হৈছে।মুঠৰ ওপৰত গুৱাহাটী মহানগৰৰ 'পদপথ'বোৰ বৰ্তমান সময়ত মানুহে খোজ কাঢ়ি অহা-যোৱা কৰিব পৰা 'পথ' নহয়।যতে ততে পাৰ্কিং কৰা বাহনৰ বিৰুদ্ধে জৰিমনা বিহা মহানগৰ আৰক্ষীয়ে এনে বাইক চালককো নাকী লগোৱাৰ প্ৰয়োজন আছে যদিও চকু মুদি বহি থাকে। একাংশ চালকৰ বাবে দৈনিক আন লোকসকল অসুবিধাত পৰিব লাগে। গতিকে আৰক্ষীয়েই হওঁক বা পৰিবহণ বিভাগেই হওঁক বা গুৱাহাটী পৌৰ নিগমেই হওঁক এইক্ষেত্ৰত অধিক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি চিটি চেণ্টাৰ মলৰ সন্মুখৰ পদপথত অবৈধ পাৰ্কিঙৰ সৃষ্টি কৰা লোকসকলৰ বিৰুদ্ধে অধিক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাটো অধিক প্ৰয়োজনীয় হৈ পৰিছে।

# বিশ্বৰ প্ৰসিদ্ধ চলচ্চিত্ৰ পৰিচালক জিন লুক গডাৰৰ মৃত্যু

ৰঙিলী বাৰ্তাসেৱা- ফ্ৰান্সৰ নিউ ৱেভ চিনেমাৰ গডফাদাৰ চলচ্চিত্ৰ পৰিচালক জিন-লুক গডাৰ্ডৰ ৯১ বছৰ বয়সত মৃত্যু হয়। গডাৰ্ড বিশ্বৰ আটাইতকৈ প্ৰশংসিত পৰিচালকসকলৰ ভিতৰত এজন আছিল। ১৯৫০ আৰু ৬০ ৰ দশকৰ শেষৰ ফালে চলচ্চিত্ৰত বিপ্লৱ আনি দিয়া চলচ্চিত্ৰ নিৰ্মাণ আন্দোলন নুৱেল অস্পষ্টৰ মুখ্য ব্যক্তি আছিল ফৰাচী-চুইছ পৰিচালক জিন-লুক গডাৰ্ড। গডাৰ্ড চিনেমাৰ এজন "মাষ্টাৰ"



আছিল। গডাৰ্ড ক'লা চুলি আৰু গধুৰ ৰঙৰ চশমাৰ সৈতে এজন প্ৰকৃত বিপ্লৱী আছিল যিয়ে চলচ্চিত্ৰ নিৰ্মাতাসকলৰ শিল্পী বনাইছিল, তেওঁলোকক মাষ্টাৰ পেইণ্টাৰ আৰু সাহিত্যৰ আইকনৰ সৈতে সমতুল্য কৰি তুলিছিল। গডাৰ্ডে আৰম্ভণিৰ পৰাই পৰম্পৰাগত হলিউড চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰতিৰক্ষা কৰিছিল আৰু অধিক ফেশ্বনেবল ব্যক্তিত্বৰ ওপৰত হাৱাৰ্ড হ' আৰু অটো প্ৰেমিংগাৰৰ পছন্দৰ প্ৰচাৰ কৰিছিল।গডাৰ্ডৰ মৃত্যুত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'নে টুইট কৰিছে, "আমি এটা ৰাষ্ট্ৰীয় সম্পদ হেৰুৱাইছো। আৰু হেৰুৱাইছো এজন প্ৰতিভাশালী ব্যক্তিৰ চকু"।

# সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি

ৰঙিলী বাৰ্তাসেৱা- মাৰ্চেল লগাই বিধানসভাৰ পৰা অধ্যক্ষই উলিয়াই দিলে বিধায়ক অখিল গগৈক। সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰাৰ বাবে নিলম্বন কৰা হয় বিধায়ক অখিল গগৈক। কংগ্ৰেছৰ বিধায়ক কমলাক্ষ দে' পুৰকায়স্থৰ এক প্ৰশ্নকলৈ সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰিছিল শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে নিলম্বন কৰে অখিল গগৈক। বিধায়কগৰাকীক নিলম্বন কৰি মাৰ্চেল লগাই সদনৰ পৰা বাহিৰ কৰি দিয়া হয়।

# পাৰিবাৰিক কন্দলৰ বাবেই এজন যুৱকে বাচি ল'লে চৰম পথ

ৰঙিলী বাৰ্তাসেৱা- দক্ষিণ কামৰূপৰ গৰৈমাৰীৰ ভিতৰদুৱাৰত সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। পাৰিবাৰিক কন্দলৰ বাবেই এজন যুৱকে বাচি ল'লে চৰম পথ। জানিব পৰা মতে মাত্ৰ এমাহ পূৰ্বে বিবাহ পাশত আবদ্ধ হৈছিল যুৱকজন। যুৱকজনৰ নাম ছানিদুল ইছলাম। পুৱা নিজৰ ঘৰৰ ভিতৰতে চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হয় যুৱকজনৰ মৃতদেহ। ঘৰুৱা কন্দলৰ বাবেই আত্মহত্যা কৰাৰ সন্দেহ প্ৰকাশ পৰিয়ালৰ লোকৰ। আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰিছে।

# ৫ খন ৰাজ্যৰ ১২ জনগোষ্ঠীক জন-জাতিৰ মৰ্যাদা দিয়াৰ সিদ্ধান্ত কেন্দ্ৰৰ

ৰঙিলী বাৰ্তাসেৱা- ৫ খন ৰাজ্যৰ ১২ জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত কেন্দ্ৰীয় কেবিনেটে ল'লে ৫ খন ৰাজ্যৰ ১২ জনগোষ্ঠীৰ জনজাতিকৰণৰ সিদ্ধান্ত। এতিয়াৰে পৰা চত্তিশগড়, কৰ্ণাটক, তামিলনাডু, হিমাচল আৰু উত্তৰ প্ৰদেশৰ ১২ জনগোষ্ঠীয়ে লাভ কৰিলে জনজাতিকৰণৰ সুবিধা। ছত্তীশগড়ৰ ১২ টা জনগোষ্ঠীক, হিমাচল প্ৰদেশতৰ চিৰমৌৰ জিলাৰ ট্ৰেন্স-গিৰি অঞ্চলৰ হাট্টী সম্প্ৰদায়ক, তামিলনাডুৰ নাৰিকোৰাভান আৰু কুৰি ভিক্কৰণ সকলক, কৰ্ণাটকৰ কাদু কুৰুবাৰ অৰ্থাত বেট্টা-কুৰুবক অনুসূচীত জনজাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেৱল বাদ পৰিল অসম। কেন্দ্ৰই পুনৰ এবাৰ জনজাতিকৰণৰ নামত এলাগী কৰিলে অসমক। কেন্দ্ৰীয় চৰকাৰে এতিয়া ৫ খন ৰাজ্যৰ অনুসূচীত জনজাতিৰ তালিকা সংশোধনৰ বাবে পৃথক পৃথক বিধেয়ক উত্থাপন কৰিব। সংবিধানৰ অনুসুচিত জনজাতি আদেশ, ১৯৫০ সংশোধন কৰি জনগোষ্ঠীকেইটাক জনজাতিৰ মৰ্যাদা দিবলৈ সংসদত বিধেয়ক উত্থাপন কৰা হ'ব। বিধেয়কখন আইনত পৰিণত হোৱাৰ পিছত নতুনকৈ অন্তৰ্ভুক্ত সকলে চৰকাৰী আঁচনিৰ অধীনত লাভালাভ প্ৰাপ্ত কৰিবলৈ সক্ষম হ'ব। কিন্তু অসমৰ ৬ জনগোষ্ঠীলৈ নাহিল কোনো সুখবৰ। আহোম, মৰাণ, মটক, চুতীয়া, কোচ ৰাজবংশী, চাহ জনগোষ্ঠী বঞ্চিত হ'ল। পুনৰ প্ৰতাৰিত হ'ল জনজাতিৰ মৰ্যাদা দাবী কৰি অহা অসমৰ ৬ প্ৰধান জনগোষ্ঠী। কেন্দ্ৰীয় চৰকাৰৰ হঠকাৰী সিদ্ধান্তৰ বাবে বঞ্চিত হ'ল মৰাণ, মটক, আহোম, চুতীয়া, কোচ ৰাজবংশী আৰু চাহ জনগোষ্ঠীৰ লোক। কেইবা দশক ধৰি জনজাতিৰ মৰ্যাদা দাবী কৰি অহাৰ পিছতো অসমৰ এই ৬ জনগোষ্ঠীয়ে আজি পৰ্যন্ত লাভ নকৰিলে জনজাতিৰ মৰ্যাদা। উল্লেখ্য যে, অসমৰ ছয় জনগোষ্ঠীক লৈ অসম চৰকাৰৰ প্ৰতাৰণা। বিধানসভাত বুধবাৰে উত্থাপন হৈছিল অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগ। অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়া এতিয়াও কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন। মন্ত্ৰী গোটৰ প্ৰতিবেদন আজিও কেন্দ্ৰলৈ প্ৰেৰণ কৰা নহ'ল। কেন্দ্ৰীয় চৰকাৰৰ লগত এই সন্দৰ্ভত কোনো যোগাযোগো কৰা নাই ৰাজ্য চৰকাৰে।

# এতিয়াৰে পৰা গাড়ীত এইবিধ সামগ্ৰী থাকিলে ভৰিব লাগিব জৰিমনা

ৰঙিলী বাৰ্তাসেৱা- সাৱধান হওঁক। এতিয়াৰে পৰা গাড়ীৰ ভিতৰত লগাব নোৱাৰিব কোনো ধৰণৰ ক'লা নেট, ষ্টিকাৰ। অসম আৰক্ষীয়ে জাৰি কৰিছে এক নতুন নিয়ম। ব্লেক গ্লাছ অথবা ব্লেক নেটৰ ব্যৱহাৰ কৰিলে গাড়ীৰ অধিকাৰীয়ে জৰিমনা দিব লাগিব। অসম আৰক্ষীয়ে নিজৰ সামাজিক মাধ্যমৰ একাউণ্টযোগে এটা পোষ্ট কৰি এই বিষয়ে সকিয়নী প্ৰদান কৰিছে। অস্বচ্ছ ব্লেক নেট চানস্ত্ৰীণৰ পৰিপূৰক নহয় সেয়েহে ইয়াৰ ব্যৱহাৰ পৰিহাৰ কৰাৰ বাবে ৰাইজক আৰক্ষীয়ে আহ্বান জনায়।বিশেষকৈ নাৰীৰ লগত সংঘটিত যিকোনো অপৰাধজনিত ঘটনা ৰোধ কৰিবলৈ আৰক্ষীয়ে এনে সুৰক্ষামূলক পদক্ষেপ লৈছে। উল্লেখযোগ্য যে গাড়ীত কলা গ্লাছ লগোৱা আইনমতে দণ্ডণীয়।পূৰ্বেও আৰক্ষীয়ে গাড়ীত কলা গ্লাছ নলগাবলৈ সকিয়নী প্ৰদান কৰি আহিছে যদিও অধিকাংশ চালকে গাড়ীত কলা গ্লাছ ব্যৱহাৰ কৰে। গতিকে আৰক্ষী অধিক কঠোৰ হ'লেহে নিয়ম উলংঘা কৰা চালকক নিয়ন্ত্ৰণ কৰিব পৰা যাব।

১ আহিন ১৪২৭ চন Rongili Barta, Date of Publication--18 September, 2022

# ডিব্ৰাইএফআইৰ ৰাজ্যজোৰা প্ৰতিবাদত বাধা আৰক্ষীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ ৩০ লক্ষাধিক নিবনুৱাৰ সংস্থাপন, নিযুক্তি প্ৰক্ৰিয়াত আৰম্ভ হোৱা দুৰ্নীতিৰ তদন্ত বিচাৰি আজি ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেছনৰ অসম ৰাজ্যিক কমিটীয়ে আহ্বান দিয়া প্ৰতিবাদী কাৰ্যসূচীত আৰক্ষীয়ে তীব্ৰ বাধা দিয়ে। চৰম অগণতান্ত্ৰিক আচৰণেৰে গুৱাহাটীত ৰাজ্যিক সম্পাদক ৰিতু ৰঞ্জন দাসক আটক কৰাৰ লগতে বৰপেটাত ৰাজ্যিক সভাপতি ৰুস্তম আলীক গ্ৰেপ্তাৰ কৰে । ইয়াৰ উপৰি বৰপেটাত ৰাজ্যিক উপ সভাপতি তথা জিলা সভাপতি কাৰ্তিক বড়ো, ৰাজ্যিক সদস্য জনক দাস, সদস্য সঞ্জীৱ দাস সহ শতাধিক প্ৰতিবাদকাৰীক আটক কৰে । একেদৰে নলবাৰী জিলাত ৰাজ্যিক যুটীয় সম্পাদক তথা জিলা সম্পাদক কুলজিৎ কলিতা আৰু টিহু আঞ্চলিক কমিটীৰ সম্পাদক দীনেশ ঠাকুৰীয়াসহ শতাধিক প্ৰতিবাদকাৰীক আৰক্ষীয়ে আটক কৰি আবদ্ধ কৰি ৰাখে। হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন আৰক্ষী বাহিনীৰ এই স্বৈৰাচাৰী, অগণতান্ত্ৰিক আচৰণক ডিব্ৰাইএফআইয়ে ধিক্কাৰ জনাইছে আৰু এয়া দুৰ্নীতিৰ সৈতে সহৰস্থান কৰা চৰকাৰৰ নগ্ন ৰূপ বুলি অভিহিত কৰিছে । চৰকাৰৰ নিৰ্দেশত আৰক্ষীয়ে অপৰাধীৰ পক্ষলৈ কাম কৰা বুলিও ডিব্ৰাইএফআইয়ে অভিযোগ কৰিছে। উল্লেখনীয় যে ডিব্ৰাইএফআইয়ে ৩০ লক্ষাধিক নিবনুৱাৰ সংস্থাপনৰ ব্যৱস্থা কৰাৰ দাবী উত্থাপন কৰাৰ সময়তে নিযুক্তি প্ৰক্ৰিয়াৰ নামত বিয়োগম দুৰ্নীতি হোৱাৰ অভিযোগ উত্থাপন হৈছে। আনকি খোদ বিজেপি দলৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাৰ বিৰুদ্ধেও নিযুক্তিৰ নামত ধন দাবী কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। সভাপতি কলিতাই চাকৰিৰ বিনিময়ত ধন দাবী কৰা বুলি এগৰাকী যুৱতীয়ে অভিযোগ কৰিছে। সভাপতি কলিতাই পূৰ্বে জলসিঞ্চন মন্ত্ৰী হৈ থকা সময়ত নিযুক্ত হোৱা ৬৪৩ টা পদৰ নিযুক্তিত গুৰুতৰ অনিয়ম হোৱা বুলি অভিযোগ উঠিছে। লক্ষিমপুৰ জিলাৰ স্বাস্থ্য বিভাগৰ নিযুক্তিৰ লিখিত পৰীক্ষাত গুৰুতৰ অনিয়মৰ অভিযোগ এজন বঞ্চিত প্ৰাৰ্থীয়ে সামাজিক মাধ্যম যোগে প্ৰকাশ কৰিছে। ইয়াৰ উপৰি ৰাজ্যৰ ২৬ হাজাৰ খালী পদত আৰম্ভ



হোৱা নিযুক্তি প্ৰক্ৰিয়াত ব্যাপক ধনৰ লেনদেন হোৱা বুলি অভিযোগ উঠিছে । ভিক্টৰ দাস নামৰ যুৱক জনে এই অভিযোগ কৰাৰ পাছতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ বহু যুৱক - যুৱতীয়ে মুকলি অভিযোগ কৰিছে, কিন্তু আচৰিত কথা হৈছে অসম চৰকাৰে এই অভিযোগৰ সঠিক তদন্ত কৰাৰ সলনি অভিযোগকাৰীৰ বিৰুদ্ধে আৰক্ষীৰ হতুৱাই কঠোৰ ব্যৱস্থা লোৱা দেখা গৈছে । নিকা আৰু স্বচ্ছ নিযুক্তিৰ প্ৰতিশ্ৰুতি দিয়া এইখন চৰকাৰৰ দিনত এয়া প্ৰসহনত পৰিনত হৈছে । চৰকাৰে দুৰ্নীতিৰ অভিযোগৰ সঠিক তদন্ত কৰিবলৈ প্ৰকাৰান্তৰে অস্বীকাৰ কৰি নিবনুৱাৰ আবেগ - অনুভূতিকলৈ হেতালি খেলা আৰম্ভ কৰিছে আৰু নিযুক্তিৰ নামত মুকলি বজাৰ হ'বলৈ এৰি দিছে । চৰকাৰ তথা শাসক দলৰ অদৃশ্য আশীৰ্বাদ নহ'লে এনে দুৰ্নীতি কৰাটো এজন সাধাৰণ মানুহৰ বাবে সম্ভৱ নহয়। ডিব্ৰাইএফআই দাবী কৰিছে এই সমগ্ৰ অনিয়মৰ প্ৰক্ৰিয়াত চৰকাৰ

( পাঁচ পৃষ্ঠাত চাওক)

# বলৱান, স্বাস্থ্যৱান হৈ আছে আমাৰ মৰমৰ জয়মালা

ৰঙিলী বাৰ্ত্তাসেৱা- আমাৰ মৰমৰ জয়মালা বলৱান, স্বাস্থ্যৱান আৰু উদ্যমী হৈ আছে। কেন্দ্ৰীয় বন পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ে টুইটযোগে ঘোষণা কৰিছে এই কথা। জয়মালাক লৈ অসম আৰু তামিলনাডু চৰকাৰৰ মাজত সৃষ্টি হোৱা সংঘাতৰ অৱসান ঘটাবলৈ কেন্দ্ৰীয় চৰকাৰে লৈছে পদক্ষেপ। কেন্দ্ৰীয় বন পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ে টুইটযোগে ঘোষণা কৰি জনাইছে যে, আমাৰ মৰমৰ জয়মালা বলৱান, স্বাস্থ্যৱান আৰু উদ্যমী হৈ আছে। বৰ্তমাৰ দলটোৱে হাতীজনীৰ ভাল যত্ন লৈ আছে। জয়মালা এতিয়া



সকলো সুস্থ আৰু হৃদয়ৱান। হাতী জয়মালাক ভালদৰে চোৱাচিতা কৰা হৈছে। "উল্লেখযোগ্য যে, জয়মালাক ঘূৰাই আনিবলৈ অসম চৰকাৰে এটা দলক তামিলনাডুলৈ প্ৰেৰণ কৰিছিল যদিও অসমৰ দলটোৱে জয়মালাক সাক্ষাত কৰাৰ অনুমতি লাভ নকৰিলে। আন্তৰ্জাতিক ভাৱে প্ৰশংসিত হাতী চিকিৎসক পদ্মশ্ৰী (ড°) কুশল কোঁৱৰ শৰ্মাকে ধৰি বিশেষজ্ঞৰ এটা দলে তামিলনাডুৰ মন্দিৰত জয়মালা আৰু আন বন্দী হাতীক ঘৰলৈ ঘূৰাই আনিবলৈ চেন্নাইলৈ গৈছিল। অসমৰ দলটোক জয়মালা আৰু আন হাতীবোৰ পৰীক্ষা কৰিবলৈ অনুমতি দিয়া হোৱা নাছিল। তামিলনাডুৰ এটা মন্দিৰত থকা জয়মালাক অসমলৈ ঘূৰাই আনিবলৈ এতিয়া আইনৰ কাষ চাপিছে অসম চৰকাৰ। তামিলনাডুৰ বিষ্ণু মন্দিৰত থকা জয়মালা নামৰ অসমৰ হাতীটোক ঘূৰাই আনিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত আৱেদন দাখিল কৰিছে অসম চৰকাৰে।

# অসমলৈ আহিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা



ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক দূৰ্গোৎসৱৰ পাছতেই অসমলৈ আহিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা। গৃহমন্ত্ৰী অমিত শ্বাহ অসমলৈ অহাটো ইতিমধ্যে নিশ্চিত হৈছে।তেওঁ গুৱাহাটীৰ বশিষ্ঠত ইতিমধ্যে নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা বিজেপিৰ নতুন ৰাজ্যিক কাৰ্যালয়টো মুকলি কৰিব।গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ খানাপাৰাত এখন দলীয় সভাতো ভাগ ল'ব। খানাপাৰা খেলপথাৰত অনুষ্ঠিত হ'ব বিজেপিৰ কাৰ্যকৰ্তাৰ বিশাল সন্মিলন। আনহাতে গুৱাহাটীলৈ আহিব বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা। দলীয় কৰ্মীৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰিব নাড্ডাই।

# চতুৰ্থ বৰ্গৰ চাকৰিত দুৰ্নীতিৰ তথ্য ফাদিল

ৰঙিলী বাৰ্ত্তাসেৱা- পৰীক্ষাৰ কেলেংকাৰীৰ সন্দৰ্ভত সামাজিক মাধ্যমত ইটোৰ পাছত সিটো অভিযোগ উত্থাপন হোৱাৰ পাছত তেনে অভিযোগকাৰীকে গ্ৰেপ্তাৰ কৰি আৰক্ষীয়ে সেই অভিযোগবোৰ মিছা প্ৰতিপন্ন কৰিবলৈ চেষ্টা চলাইছে। অসম চৰকাৰৰ নিযুক্তি পৰীক্ষাৰ কেলেংকাৰীৰ সন্দৰ্ভত উঠা অভিযোগ আৰু প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে পুনৰ পোহৰলৈ আহিছে আন এক চাঞ্চল্যকৰ ঘটনা।লখিমপুৰ মেডিকেল কলেজৰ চতুৰ্থ বৰ্গৰ নিযুক্তি প্ৰক্ৰিয়াত বিসংগতি। নিযুক্তি পৰীক্ষাত উত্তীৰ্ণ হ'ল উকা বহী জমা দিয়া পৰীক্ষাৰ্থী। ভিক্টৰ, জয়াৰ পাছত এইবাৰ ৰূপহীহাটৰ এজন এজন বিশেষভাৱে সক্ষম যুৱকৰ ফেচবুক প'ষ্টত ভয়ংকৰ তথ্য। লখিমপুৰ মেডিকেল কলেজৰ চতুৰ্থ বৰ্গৰ নিযুক্তিৰ ফলাফল ঘোষণা হোৱাৰ পিছতে কেতবোৰ বিস্ফোৰক অভিযোগ পৰীক্ষাত অৱতীৰ্ণ প্ৰাৰ্থী ৰূপহীহাটৰ আমিনুল হকৰ। নিযুক্তিৰ ফলাফল ঘোষণা হোৱাৰ পিছতে পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পিছতেই আমিনুল হকে তেওঁৰ ফেচবুক একাউণ্টৰ জৰিয়তে লিখিছে, "চৰকাৰী চাকৰিৰ নামত দুৰ্নীতি কাক কয় আজিহে বুজিলো। কিয়নো যোৱা কালি দিয়া ৰিজাল্টত যিজনে উত্তৰ বহী উকা জমা দিলে তাৰ ৰোল নং চিলেকচনত উঠিছে। পৰীক্ষাৰ দিনাই মই আপডেট দিছিলো। ৰোল নং-১২৬৯০০৪২ নামটো অমিত নে কিবা আছিল টাইটেল পাহৰিলো। ধেমাজি পাবলিক স্কুলত পৰীক্ষা দিয়া সকলো পৰীক্ষাৰ্থীক আৰু পৰীক্ষকক মাতি সুধিলেই গম পাব পৰীক্ষাৰ দিনা কি হৈছিল। মোৰ আগৰ বেঞ্চত বহি থকা পৰীক্ষাৰ্থী জনে যেতিয়া OMR Sheetখন জমা দিব বিচাৰে তেতিয়া বাইদেউ এজনীয়ে মাত লগায় উকা বহী জমা নলও। তেতিয়া লগে লগে মই পিছফালৰ পৰা থিয় হৈ মাত লগাও আৰু সকলো পৰীক্ষক আৰু পৰীক্ষাৰ্থী একগোট হৈ জবৰদস্তি ৫/১০ টা মান উত্তৰ লিখিবলৈ বাধ্য কৰা হয়। লগতে তাত থকা ফটো পৰীক্ষকে ব্যক্তি জনৰ লাইভ ভিডিঅ'ৰ লগতে ফটো আধাৰ কাৰ্ডৰ ফটো তুলি ৰাখে। ওলাই আহোতে কৈ আহিছিলো পৰীক্ষকসকলক ৰোল নং লিখি ৰাখিছো ৰিজাল্ট দিয়াৰ পিছত চাম। আজি তাৰ ৰিজাল্ট শ্বীট আৰু ৫ মাহ আগত দিয়া মোৰ আপডেট আগবঢ়ালো। যেতিয়ালৈকে চাকৰিৰ নামত দুৰ্নীতি হ'ব সিমান দিন যোগ্য জনে চাকৰি নাপায়।"

# ব্ৰইলাৰ ফাৰ্ম খোলাৰ বাবেই সমাজে এঘৰীয়া কৰিলে এটি পৰিয়ালক

ৰঙিলী বাৰ্ত্তাসেৱা- ব্ৰইলাৰ ফাৰ্ম খোলাৰ বাবেই এঘৰীয়া হৈ আছে এটি পৰিয়াল। শেহতীয়াকৈ এই ঘটনা পোহৰলৈ আহিছে। এই ঘটনা সংঘটিত হৈছে নগাঁৱৰ তুলসীমুখ দেউৰীগাঁৱত। ঘটনা সন্দৰ্ভত ভুক্তভোগী পৰিয়ালটোৱে জানিবলৈ দিয়া অনুসৰি অপূৰ্ব দাস নামৰ যুৱকজনে তিনি বছৰ পূৰ্বে ঘৰৰ পাছফালে খুলিছিল এখন ব্ৰইলাৰৰ ফাৰ্ম। ব্ৰইলাৰ ফাৰ্মখন খোলাৰ বাবেই সমাজৰ পৰা ৰাইজে এঘৰীয়া কৰিলে অপূৰ্ব দাসৰ পৰিয়ালটোক। অপূৰ্ব দাসৰ ককাই ভাই, আত্মীয়কো সমাজৰ পৰা এঘৰীয়া কৰি ৰাখিছে ৰাইজে। তিনি বছৰ ধৰি এঘৰীয়া হৈ আছে অপূৰ্ব দাসৰ পৰিয়ালটো। উল্লেখযোগ্য যে, ব্ৰইলাৰ পুহি স্বাৱলম্বী হোৱাৰ প্ৰয়াস কৰাটোৱে সমাজৰ দৃষ্টিত অপৰাধ হ'ল অপূৰ্ব দাসৰ পৰিয়াল।

## ডিব্ৰাইএফআইৰ

আৰু শাসক দলৰ হাত আছে । নিবনুৱা সমস্যা, নিযুক্তি প্ৰক্ৰিয়াৰ দুৰ্নীতিৰ লগতে ডিব্ৰাইএফআইয়ে বান - গৰাখনীয়া সমস্যাৰ স্থায়ী সমাধান, চৰকাৰী বিদ্যালয় বন্ধৰ সিদ্ধান্ত বাতিল, ঠিকাভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়া কৰা, ভেঞ্চাৰ শিক্ষানুষ্ঠানৰ শিক্ষক - কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণ কৰা, টিউটৰসকলক শিক্ষকৰ মৰ্যাদা দিয়া, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ সকলো খালী পদ পূৰণ কৰা, চাকৰিত আবেদনৰ বাবে লোৱা সকলো আবেদন মাচুল উঠাই দিয়া, চৰকাৰী বেচৰকাৰী খণ্ডত কাম কৰা ঠিকাভিত্তিক কৰ্মচাৰীৰ মাহিলি দৰমহা ন্যূনতম ২১ হাজাৰ টকা কৰাৰ দাবী ডিব্ৰাইএফআইয়ে উত্থাপন কৰিছে। সমগ্ৰ ৰাজ্যতে কেন্দ্ৰীয় চৰকাৰৰ খালী পদকে ধৰি লাখ লাখ পদ খালী হৈ পৰি আছে। অকল উত্তৰ - পূব সীমান্ত ৰে'ল বিভাগতে ৭০ সহস্ৰাধিক পদ খালী হৈ আছে। এই আন্দোলন সমগ্ৰ দেশৰ লগতে অসমৰ কেইবাখনো জিলাত ৰূপায়িত হৈছে । গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, নলবাৰী, কামৰূপ, তামুলপুৰ, কামৰূপ (ম), বিশ্বনাথ, নগাঁও, কাচাৰ আদি জিলাত আৰক্ষীৰ বাধা নেওচি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰা হয় ।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মুকলি প্ৰত্যাহ্বান এগৰাকী পৰীক্ষাৰ্থীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ নিযুক্তি পৰীক্ষাৰ কেলেংকাৰীৰ সন্দৰ্ভত উঠা অভিযোগ আৰু প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মুকলি প্ৰত্যাহ্বান এগৰাকী পৰীক্ষাৰ্থীৰ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক চেলেঞ্জ দিলে পৰীক্ষাৰ্থী নেকিবুৰ ৰহমানে। পৰীক্ষাৰ কেলেংকাৰীৰ সন্দৰ্ভত সাংবাদিকৰ আগত পৰীক্ষাৰ্থী নেকিবুৰ ৰহমানে কয় যে, থাৰ্ড গ্ৰেডৰ বাবে ৩লাখ, ফৰ্থ গ্ৰেডৰ বাবে ৫লাখ টকা বুলি মুকলিকৈ কৈ দিয়ক। ভিক্টৰ দাসক তেনেদৰে ভৰাই থৈছে মোকো ভৰাই থৈ দিয়ক। মোক গ্ৰেপ্তাৰ কৰক, মই ভয় নকৰো। মই অসমীয়া খিলঞ্জীয়া ভূমিপুত্ৰ বুলি বুকুত হাত ৰাখি ক'ব পাৰিম। অসমীয়াৰ তেজ আছে গাত। কাকো ভয় নকৰোঁ। জে'লৰ মাজৰ পৰাই কম চাকৰিত দুৰ্নীতি হৈছে। ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই সভা, মিটিঙত জোৰ দি ডাঙৰকৈ কয় নিকা আৰু স্বচ্ছ ভাৱে পৰীক্ষা পতা হ'ব। কিন্তু ক'ত নিকা হৈছে, ক'ত স্বচ্ছ হৈছে? বিজেপিৰ পালিনেতা ঘৰত থাকিলেহে চাকৰি পায়'। ওপৰৰ মালৰ লগত হাত থাকিলে পাব চৰকাৰী চাকৰি। ধনৰ লেনদেনৰ বিনিময়ত দিয়া হৈছে চাকৰি। আমিনুল হকে কোৱা কথা সত্য। চৰকাৰে চাকৰিৰ বিজ্ঞাপন দিয়ক কোনটো পোষ্টৰ কিমান দাম। আমি চেন্নাই, কেৰালাত কাম কৰি আহি পইচা দি চাকৰি লম। হিমন্ত বিশ্ব শৰ্মাই নিকা আৰু স্বচ্ছ পৰীক্ষা পতা নাই বিসংগতি পৰীক্ষা পাতিছে। "উল্লেখযোগ্য যে অসম চৰকাৰৰ নিযুক্তি পৰীক্ষাৰ পুনৰীক্ষণৰ দাবী জনাইছে পৰীক্ষাৰ্থী নেকিবুৰ ৰহমানে।



# মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ গুৰুজনাৰ তিৰোভাৱ তিথি উপলক্ষে

মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱ গুৰুজনাৰ তিৰোভাৱ তিথি উপলক্ষে তেখেতৰ বিষয়ে দুৱাষাৰমান লিখনি আপোনালোকৰ আগত আগবঢ়ালোঁ

"তেজৰে কমলাপতি পৰভাতে নিন্দ
তেৰি চান্দ মুখ পেখোঁ উঠৰে গোবিন্দ"

মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱে ১৪৮৯ চনত লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ লেটেকুপুখুৰী নামৰ ঠাইত জন্মগ্ৰহণ কৰিছিল। তেখেতৰ পিতৃৰ নাম আছিল গোবিন্দ ভূঞা আৰু মাকৰ নাম আছিল মনোৰমা। মাধৱদেৱৰ এজন ককায়েক আৰু এগৰাকী ভনীয়েক আছিল। মাধৱদেৱ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰিয় শিষ্য আছিল। গুৰুজনাই মাধৱদেৱক "বৰাৰ পো" বুলি সম্বোধন কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক লগ পোৱাৰ আগলৈকে মাধৱদেৱ শাক্ত আছিল। ১৫২২ চনৰ শৰৎ কালত মহাপুৰুষ মাধৱদেৱৰ প্ৰথম সাক্ষাৎ হৈছিল শ্ৰীমন্ত শংকৰদেৱৰ লগত। মহাপুৰুষ দুজনাৰ এই মিলনৰ সময়খিনিক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই "মনি-কাঞ্চন সংযোগ" বুলি অভিহিত কৰিছে। প্ৰথম সাক্ষাতত দুয়োজনা গুৰুৰে শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ বিষয়ে তৰ্কযুদ্ধত লিপ্ত হৈছিল। শেষত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ লগত তৰ্কযুদ্ধত পৰাজয় স্বীকাৰ কৰি মাধৱদেৱে তেখেতৰ চৰণ লৈ গোটেই জীৱন বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে নিজকে উচৰ্গিত কৰে।

মহাপুৰুষ মাধৱদেৱে ভক্তিৰত্নাৱলী, নামঘোষা, বৰগীত আদি ৰচনা কৰিছিল। মাধৱদেৱে ৰচনা কৰা বৰগীত সমোহৰ ভিতৰত "তেজৰে কমলাপতি" বৰগীতটো সকলোৰে মুখে মুখে।



মাধৱদেৱে ৰচনা কৰা নাটসমূহ হ'ল -" অৰ্জুন ভঞ্জন, চোৰধৰা পিম্পৰা গুচোৱা, ভূমি লেটোৱা, ভোজন বেহাৰ, ব্ৰহ্মামোহন, ৰাস ঝুমুৰা, ভূষন হৰন কোটোৱা খেলা আৰু দধীমথন আদি। মহাপুৰুষ মাধৱদেৱে ১৫৯৬ চনৰ ভাদ মাহৰ কৃষ্ণা পঞ্চমী তিথিত ১০৭ বছৰ বয়সত কোচবিহাৰত পৰলোক গমন কৰে। সেয়েহে আমি প্ৰতি বছৰে ভাদ মাহৰ কৃষ্ণা পঞ্চমীৰ দিনা মাধৱদেৱৰ তিৰোভাৱ তিথি পালন কৰি আহিছোঁ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰে মাধৱদেৱেও অসমৰ ধৰ্ম, ক'লা - সংস্কৃতি, ভাষা, সাহিত্য, ৰিতি নীতি, সংগীত আদি সকলোতে বহুমূলীয়া অৱদান আগবঢ়াই থৈ গৈছে। গতিকে প্ৰতি গৰাকী অসমীয়াই এই মহাপুৰুষ দুজনাক সদায় স্মৰণ কৰাৰ লগতে তেওঁলোকৰ অৱদানসমূহ ধৰি ৰখাটো উচিত।

**হিমাদ্ৰী বৰকটকী নগাঁও**

# প্ৰাপ্তি

**ববিতা বৰা**



এজাক প্ৰশান্তিৰ বতাহে সুমিতাৰ বুকুত চুই থৈ গ'ল কোমলকৈ। প্ৰেক্টিকেল হ'ব লাগে বুলি কোনোদিন আৱেগৰ বশৱৰ্তী নোহোৱা সুমিতা সজাগ হৈ পৰিল। তাই জানে, তাইৰ সিদ্ধান্ত শুদ্ধ অথচ হৃদয়ৰ কোনোবাখিনিত তাইও হয়তো উপলব্ধি কৰে প্ৰশান্তয়ে ইমানদিনে বুকুত কঢ়িয়াই ফুৰা সেইজাক ধুমুহাৰ বিষাদ কিমান কষ্টকৰ। প্ৰশান্তইও কোনোধৰণৰ হেঁচা নিদিয়াকৈ মানি লয় তাইৰ সিদ্ধান্ত নিশব্দে। তথাপিও, মুখত একোমোৰা বিষাদ অথচ প্ৰাপ্তিৰ অবুজ হাহিঁ কঢ়িয়াই লৈ এটা সৰু শিশুৰ দৰেই সি সুমিতাৰ লগত উমলে, হাহেঁ। সুমিতাৰ ভয় হয়।কিজানিবা তাইৰ লগত কটোৱা এই নিস্বাৰ্থ সময়খিনি মনত পেলাই নিৰ্জন ৰাতি সি উচুপি উঠেুকষ্ট পাই, ভাগি পৰে আৱেগত। এই ভাৰি তাই বহুবাৰ পলাইও ফুৰে তাৰ পৰা।

সি প্ৰশ্ন কৰে ধেমালিৰ ছলৰে, 'মোৰ কষ্টৰ কথা ভাবি মোৰ পৰা পলাই ফুৰাতকৈ, মোৰ প্ৰস্তাৱ মানি নলৱনো কিয়?'

সুমিতাই জানে, ধেমালিতে সোধা এই প্ৰশ্নটোত এটা পজিটিভ উত্তৰ পাবলৈ সি যে কিমান ব্যাকুল, কিমান আশাবাদী।.. নাহ। তাই নোৱাৰে। কেৱল মাত্ৰ আৱেগৰ বাবেই তাই নিজৰ সিদ্ধান্ত সলনি কৰিব নোৱাৰে। নোৱাৰে মাত্ৰ বৰ্তমানক সুখী কৰি ভৱিষ্যতত আউল লগাবলৈ। তাই জানে, প্ৰশান্তৰ ভালপোৱাত নাই কোনো ভেজাল, নাই কোনো চঞ্চলতা, চপলতা। এই ভালপোৱা শাৰিৰীক নহয়, সস্তীয়া নহয়। প্ৰশান্তলৈ তাইৰ বেয়া লাগে, বহু সময়ত তাইও প্ৰশান্তৰ কথা ভাবি ন কৈ ভালপোৱাৰ কিছুমান পূৰণ হৰণ যোগ বিয়োগ কৰে তাই। সমিধান একেই ওলাই। প্ৰেমত হাবু-ডাবু খাই প্ৰতাৰিত বহু প্ৰেমিক প্ৰেমিকাক দেখি তাইৰ ভয় লাগে। ভয় লাগে মাথো ভালপোৱাৰ খাটিৰত প্ৰশান্তক আঁকোৱালি লৈ ভৱিষ্যতৰ সপোন দেখিবলৈ।কাৰণ জীৱনটো ইমান সহজ নহয়।

সমাজিক বান্ধোনবোৰ একাষৰীয়া কৰি তাই যেনিবা প্ৰশান্তক আপোন কৰিবলৈ বাধ্য কৰালে নিজৰ ঘৰখনক। কিন্তু প্ৰশান্ত...তাইক পোৱাৰ পিছত প্ৰশান্তই যদি নুবুজা হয় তাইৰ মূল, কাৰ কাষত আশ্ৰয় ল'বহি তাই? সমাজৰ বিপক্ষে গৈ আকৌ তাই জানো উভটি আহিব পাৰিব সেইখন সমাজলৈ, ঘৰলৈ? ..এইবোৰ বাস্তৱ। অলীক কল্পনা বা অলাগতীয়াল চিন্তা নহয়। মুঠতে তাই নোৱাৰে এটা সম্পৰ্কত বান্ধ খাই সিহঁতৰ বন্ধুত্বক সম্বন্ধৰ নাম দিবলৈ। তাই তাক কয়, ক্ষমা কৰিবি। সম্পৰ্কৰ কথা মই ভাৱিবই নোৱাৰো। সন্মান কৰো মোৰ প্ৰতি থকা তোৰ ভালপোৱাক। পিছে মোৰ বাবে ই অসম্ভৱ। ঈশ্বৰে মিলালে মিলিম। অন্যথা মোৰ বাবে অপেক্ষা নকৰিবি।' সুমিতাৰ স্পষ্ট উত্তৰক সি সন্মান কৰে। 'তই মোক ভাল নাপালেও নাই কিন্তু বন্ধু হৈটো থাকিব পাৰিবি?" বুলি চিৰদিন অন্তৰৰ একোণত সি সুমিতালৈ ৰুৱা ৰক্ত গোলাপজোপাৰ কথা সুমিতাই জানে, সাৰ পানী দি পুলিটো বঢ়োৱাৰ চেষ্টা তাই নকৰে কাৰণ তাই জানে যে গোলাপৰ কাঁইটে বাৰুকৈয়ে আঘাত কৰিব তাৰেই কোমল বুকুত..।।

:ব'ল

:ক'লৈ?

:অস্তৰাগী বেলিটো চাওঁগৈ।

:প্ৰেক্টিকেল মানুহবোৰৰ আজি বেলি চাবলৈ কি মন গ'ল?

: আহিবিচোন বাৰু..

তেতিয়া আবেলিৰ ডুবু ডুবু বেলি। আকাশৰ ৰঙীন প্ৰতিবিম্বটো নদীখনত স্পষ্টকৈ পৰি মনোমোহা হৈ পৰিছে। এজাক বনৰীয়া চৰাই কিব্ মিব্ শব্দ কৰি উভটি গৈছে কোনো ওখ বৃক্ষত থকা বাহলৈ।

:কিয় ভালপাৱ মোক?

: .....

: মোলৈ অপেক্ষা নকৰিবি।

: তোক ভালপাবলৈ বা অপেক্ষা কৰিবলৈ মোক কাৰো অনুমতিৰ প্ৰয়োজন নাই নহয়। ই মোৰ ব্যক্তিগত কথা।

তাই একো উত্তৰ নিদিয়াকৈ তলমুৰ কৰে। কিছু নীৰৱ মূহুৰ্ত এইদৰেই পাৰ হৈ যায় বিনাশব্দে..

:ব'ল..উভটিবৰ হ'ল। ইমান দেৰিলৈকে ডেকা ল'ৰাৰ লগত এজনী গাভৰু ছোৱালী নদীৰ ঘাটত থকাটো ভাল নহয়। সমাজে ভাল চকুৰে নাচাই।

তাৰ নিষ্কলুশ মনটোৰ সন্মুখত শ্ৰদ্ধাত দোঁ খাই পৰে তাইৰ

*(আঠপৃষ্ঠাত চাওক)*

# বৰাৰ পো মাধৱ

**নিতিষ্মান দাস, অষ্টম শ্ৰেণী**



হে জগতগুৰু গুৰু মাধৱ,
তুৱা বাবে ধন্য ভকতসৱ।
তুমি যেন ইহ জগতক পবিত্ৰ কৰিলা,
অসমক তুমি যেন ভক্তিৰস দিলা।
নাৰায়ণপুৰত তোমাৰ হ'ল জনম,
ধৰমৰ হকে তুমি কৰিলা কৰম ।
বোৱালা গুৰু তুমি! ভক্তিৰ ধাৰা,
অন্তহীন গুৰু! তোমাৰ কথা।
গুৰু শংকৰৰ তুমি প্ৰিয় শিষ্য,
হে গুৰু মাধৱ তুমি নমস্য।
শংকৰৰ তুমি বৰাৰ পো মাধৱ,
তুমি যেন ভক্তিৰ দিলা উৎসৱ।
তুমি বিনে গুৰু শংকৰ আধৰুৱা,
কীৰ্তি স্তম্ভ ৰূপে নাম-ঘোষা ৰচিলা।
পৰম ৰতন তুমি ইহ জগতৰ,
পৰম গুৰু তুমি হৰি ভকতৰ
মণিকাঞ্চন সংযোগে শংকৰক পালা,
শংকৰৰ প্ৰাণ বান্ধৱ মাধৱ হ'লা।
তোমাৰ বৰগীতত যেন ঈশ্বৰৰ বদন,
বৰগীতে বাল গোপাল কৰালা দৰ্শন।
ভক্তিৰসৰ কি মধুৰ সুৰ মিলন!
মোহিলা বৰগীতে তুমি সকলোৰে মন!
ভক্তিৰ তুমি গুৰু, দিলা জ্ঞান,
অসমৰ তুমি গৌৰৱ আৰু মান।
গুৰু শংকৰে তোমাক ধৰ্মৰ দিলে ভাৰ,
বৈষ্ণৱ ধৰ্ম তুমি কৰিলা প্ৰসাৰ।
প্ৰণামো তোমাক সহস্ৰ-কৌটি বাৰ,
কল্যানময় কৰি ৰাখিবা ইহ সংসাৰ।

অসম চৰকাৰ


এতিয়াৰ পৰা আপোনাৰ সম্পত্তি কৰ আপোনাৰ ঘৰৰ পৰাই যিকোনো সময়ত যিকোনো স্থানৰ পৰা সহজতে পৰিশোধ কৰক।

অসম চৰকাৰৰ গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ

## 'সহজলভ্য সম্পত্তি কৰ পৰিশোধ'ৰ অধীনত এক পদক্ষেপ

Azadi Ka Amrit Mahotsav

JANASANYOG- 2224/22



http://propertytaxassam.in প'ৰ্টেলত প্ৰৱেশ কৰক অথবা প্লেষ্টোৰৰ পৰা মোবাইল এপ ডাউনলোড কৰক → আপোনাৰ বুনিয়াদি তথ্যৰ সৈতে এটা একাউণ্ট পঞ্জীয়ন কৰক → সম্পত্তি কৰৰ মূল্যায়ন বাছনি কৰক → আপোনাৰ তথ্য আপডেট কৰক আৰু ইউনিক আই ডি নম্বৰ লাভ কৰক

### সম্পত্তিৰ মূল্যাংকন আৰু পুনঃ মূল্যাংকন কি?

ই এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা মোবাইল এপ অথবা ৱেব পৰ্টেলৰ জৰিয়তে আপুনি ব্যৱহাৰ কৰি থকা মহলাৰ সম্পূৰ্ণ ক্ষেত্ৰৰ সৈতে আপোনাৰ সম্পত্তিৰ তথ্য আপডেট কৰিব পাৰি।

### কোনে এই প্ৰক্ৰিয়া কৰিব লাগে?

জি এম চিৰ বাহিৰে অসমৰ যিকোনো জিলাৰ পৌৰসভা এলেকাৰ সম্পত্তি থকা যিকোনো ব্যক্তি।

### কেনেকৈ পুৰণি কৰ পৰিশোধ কৰিব

- অনলাইন পৰিশোধ প্ৰক্ৰিয়াৰ জৰিয়তে আপোনাৰ বকেয়া কৰ পৰিশোধ কৰিব পাৰিব।
- আপোনাৰ পুৰণি সম্পত্তি আৰু পৰিশোধৰ বাবে মাত্ৰ তিনিটা প্ৰক্ৰিয়া
  - এপ ডাউনল'ড কৰক অথবা পৰ্টেলত প্ৰৱেশ কৰক
  - সম্পত্তি কৰ পৰিশোধ নিৰ্বাচন কৰক
  - আপোনাৰ পুৰণি হ'ল্ডিং নম্বৰ দিয়ক
  - বাকী থকা বিল পৰিশোধ কৰক




### উপকাৰিতা

- পাঁচ মিনিটতে আপোনাৰ হ'ল্ডিং নম্বৰ লাভ কৰক।
- ঘৰৰ পৰাই আপোনাৰ সম্পত্তিৰ তথ্য আপডেট কৰক।
- অন লাইনযোগে যিকোনো স্থানৰ পৰা যিকোনো সময়ত কৰ আদায় দিয়ক।


এপ ডাউনলোডৰ বাবে propertytaxassam.in ৱেবছাইটত প্ৰৱেশ কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

# বহাগ আহে এনেকৈয়ে

Tulip Bhuyan



মোৰ মাথোঁ এটাই চোলা,
তাৰো যে দুই বাহুৱেই ফটা?
বিহুৰ বতৰত
খাৰণিৰে ধোঁৱা
এটা ফুৰফুৰীয়া গন্ধ তাৰ
কিন্তু গন্ধটো বৰ মিঠা!
ভাবিছিলো,
মই কবিতা লিখিম
ভাবিছিলো,
এদিন মই বেহেলাও বজাম
অসমাপ্ত এটা জীৱন লৈ আহিছিলো পৃথিৱীলৈ —
একোকে নহ'ল মোৰ!
অসমৰ আকাশত সেয়া বাৰু কিহৰ
ফেহুজালি ?
বহাগৰ বন্যাত সেয়া কিহৰ
কলধ্বনি ?
আজি মই কবিতা লিখিম
আৰু
বেহেলাও বজাম।।

# তুলাচনী

শৰ্মিষ্ঠা দেৱী, নগাঁও



নুজুখিবি সম্বন্ধক
টকাৰ তুলাচনীত
আবেগবোৰে উচুপি কান্দিব,
নামাৰিবি তোৰ
অহং চাৱনি
চকুপানীবোৰে দুগাল তিয়াব ।
তোৰ মৰমত
সেউজীয়া হোৱাৰহে
কথা আছিল ।
কিয় দিলি মোক
হালধীয়া ৰহণ?
উশাহবোৰ চোন উভতি নাহিব।

# ভাষাৰ কথা নাই, কলকাতা আমাৰ দ্বিতীয় মাতৃভূমি

অঞ্জু শাণ্ডিল্য



১৯৩৫ চনত কলকাতাৰ অৰোৱা ষ্টুডিঅ'ত অসমৰ এটি কণমানি শিশুৰ দুটা গীত বাণীবদ্ধ হৈছিল। 'এইচ এম ভি'ৰ বেকাৰ্ডৰ ক'ভাৰত সেই শিশুটিৰ সোণৰ মেডেল পিন্ধা আলোকচিত্ৰৰ তলত লিখা আছিল- 'আমাদেৰ কনিষ্ঠতম শিল্পী ভূপেন হাজৰিকা।' কিন্তু ভূপেনদাই কিশোৰ হৈ ১৯৩৯ চনত কলকাতাৰ ৰেডিঅ'তো গান গাইছিল। পাচত যুবক ভূপেনদাই লিখিছিল-'ক'ভাৰ মই ।... আমাদেৰ কনিষ্ঠতম শিল্পী ভূপেন হাজৰিকা। তেতিয়া ভাষাৰ কথা নাই। অসমীয়া নহয়, কনিষ্ঠতম শিল্পী। সৰুতেই মাহীয়েক ভৱপ্ৰিয়া দাসে বাংলা গীত শিকাইছিল- 'হে ভগৱান, হে ভগৱান, চাহিনা হইতে এই/ বিশ্ব জগতে বিৰাট বিপুল বিষয় সমান কৰ্মৰে ধন্য/ পুজিয়ে নগণ্য/ যাহে জীৱ কৰয় কল্যাণ।'

ভৰ যৌৱনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাকৰি এৰি কলকাতালৈ গৈ ভূপেনদাই বাংলা সংগীত জগতত খোপনি পুতি লয়। নিজা গানৰ বাংলা অনুবাদ, বাংলা গীতিকাৰৰ গীত গাই এক অভিলেখ সৃষ্টি কৰে। সেই সময়ত বাংলা আধুনিক সংগীতৰ সোণালী যুগ। তথাপি ভূপেনদাই বাংলা ছবিৰ সংগীত পৰিচালনা, ছবিত নেপথ্য কণ্ঠশিল্পী গীত গোৱাৰ উপৰি বাংলা ভাষাত অলেখ গীতৰ সংকলন উলিয়ায়। 'আমি আৰ মোৰ ছায়া' সংকলনৰ আৰম্ভণিতে কৈছে-'কলকাতাৰ বয়স কত জানি না। জানি- কলকাতা আমাৰ দ্বিতীয় মাতৃভূমি। তাৰই উদ্দেশ্যে আমাৰ। দ্ধাৰ এই নৈবেদ্য।' আৰু এইখন মাতৃভূমি (কলকাতা তথা পশ্চিমবংগই) ভূপেনদাক আদৰি ল'লে মৰমেৰে। কেইবাখনো বাংলা ছবিত নেপথ্য কণ্ঠশিল্পীৰূপে গীত গোৱাৰ লগতে সংগীত পৰিচালনাও কৰে-'সতী বেউলা', 'অসমাপ্ত', 'কড়ি ও কমল', 'দুই বেচাৰা', 'চামেলি মেমচাব', 'দম্পতী', 'জোনাকীৰ আলো', 'এখানে পিঞ্জৰ', 'মহুৱা', 'নাগিনী কন্যাৰ কাহিনী', 'কালো সিঁদুৰ', 'কোমল গান্ধাৰ', 'বন্ধু', 'মাহুত বছৰে', 'সীমানা পেৰিয়ে', 'জীৱন তৃষ্ণা','গজমুক্তা', 'সোপান' আদি। ১৯৫৭ চনত 'জীৱন তৃষ্ণা' ছবি 'সাগৰ সংগমত কতনা সাঁতুৰিলো' গীতটো সংযোজন হয়। উক্ত গীতটো পুলক বন্দোপাধ্যায়ে বাংলালৈ অনুবাদ কৰিছিল। আন এখন বাংলা ছবিত 'আমি, এক যাযাবৰ' (মই এটি যাযাবৰ) গীতটো গাই গায়কৰ ৰূপত অভিনয় কৰে। ভূপেনদাই নিজা গীতৰ বাংলা ভাষাত কণ্ঠদান কৰাৰ লগতে লোকমান মাকীৰ, হেমাংগ বিশ্বাস, বীৰেন চট্টোপাধ্যায়, শিৱ দাস বন্দোপাধ্যায়, মিন্টু মুখোপাধ্যায়, পুলক বন্দোপাধ্যায় আদিৰ গীততো কণ্ঠদান কৰে। পুলক বন্দোপাধ্যায়ে ভূপেনদাৰ বহু গীত বাংলালৈ অনুবাদ কৰিছিল। লতা মংগেশকাৰৰ বাবে গীত লিখিছিল আৰু ভূপেনদাৰ সংগীতেৰে লতা মংগেশকাৰে 'বাংলা পূজাৰ গান'ত প্ৰথম কণ্ঠদান কৰে। বাংলাদেশৰ জনপ্ৰিয় গীতৰ সংকলন 'গংগা আমাৰ মা, পদ্মা আমাৰ মা'। ইয়াৰ প্ৰথমটো গীতেই ভূপেনদাৰ কণ্ঠৰ 'গংগা আমাৰ মা..।' এই গীতটো ভূপেনদাৰ বৰ প্ৰিয়। সৰুতেই সপোনত পদ্মা নদীখনক দেখিছিল আৰু ব্ৰহ্মপুত্ৰ নদ বাংলাদেশত পৰা অংশৰ নাম পদ্মা। ১৯৩৫ চনত প্ৰথমবাৰ কলকাতালৈ যোৱাৰ কথা পাচত লিখিছিল- 'বাটত দেখিলো মোৰ সপোনৰ পদ্মা নদীক। ট্ৰেইন চলিছে পদ্মা নদীৰ- দলঙৰ ওপৰেদি। তেতিয়াৰ পূৰ্ববংগৰ মাজেদি।' গীতিকাৰ শিৱদাস বন্দোপাধ্যায়ে যেন ভূপেনদাৰ মনৰ কথাকে লিখিছিল- 'গাংগা মোৰ মা/ পদ্মাও মোৰ মা/ লুইততে নাও মেলিও/ পদ্মাৰ ভাটিয়ালী ৰচোঁ / ৰাজহংসৰ পাখি মেলি/ অ' মই দুই নদীত নাচো...।' বাংলাদেশ, পশ্চিমবংগত সংগীতৰ অনুষ্ঠানত দৰ্শক শ্ৰোতাৰ অনুৰোধত প্ৰায়ে গাবলগা হয় 'গংগা আমাৰ মা..।' ভূপেনদায়ো প্ৰাণঢালি গায় গীতটো। ভূপেনদাই এদিন কৈছিল- 'সেইদিনা ডুবাইলৈ গৈছিলো। এটা বাংলাদেশী মুছলিম ল'ৰাই এখন পাণৰ দোকান দিছে।... মোক দেখিয়েই সি চিঞৰি উঠিল-আৰে আমাদেৰ ভূপেনদা। গংগা আমাৰ মা।" 'বাংলাদেশ সাংবাদিক সংস্থা' আৰু 'বাংলাদেশ ফিল্ম ইণ্ডাষ্ট্ৰি'য়ে ১৯৭৮ চনত 'সীমানা পেৰিয়ে' ছবিৰ সংগীত পৰিচালনাৰ বাবে ভূপেনদাক শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা প্ৰদান কৰে। এইখন ছবিত 'বিমূৰ্ত এই ৰাত্ৰি আমাৰ' (বিমূৰ্ত মোৰ নিশাটি) গীতত কণ্ঠদান কৰি ছাবিনা ইয়াছমিন জনপ্ৰিয় হৈ পৰে। আকাশবাণী ঢাকাৰ 'অনুৰোধ আসৰ'ত এই গীত প্ৰায়ে বাজি

(নপৃষ্ঠাত চাওক)

# প্ৰাপ্তি

অভিযোগবোৰ। এপলকৰ বাবে তাইৰ মন যায় তাৰ বুকুত উমলি চাবলৈ। পিছে তাই নোৱাৰে।

ভৱিষ্যতে যদি কিবা কাৰণত তাইৰ প্ৰিয় প্ৰশান্তয়েই তাইক কুঠাঘাত কৰে, সহিব পাৰিব জানো তাই সেই আঘাত? পাৰিব জানো আটাইতকৈ ভালপোৱা পুৰুষ জনৰ প্ৰবঞ্চনা সহ্য কৰিবলৈ! নাই..প্ৰেমত অন্ধ হ'বলৈ তাই অসমৰ্থ।

সজল চকুৰে তাই তালৈ চাই। বহু কথা নোকোৱাকৈ সি বুজি পাই। বহু কথা তাইও পঢ়িব পাৰে তাৰ দুচকুত। বহু অকথ্য কথা সিও কল্পনা কৰে সমাজক লৈ। হয়ও। যুগ্ম জীৱনটো সন্মতি থাকিব লাগিব দুখন সমাজৰ, ঘৰৰ, পৰিয়ালৰ।

ভালপোৱাহে। কিয় লাগে কায়িক ভাৱে? আত্মাৰ পৰা আত্মালৈ দেখোন এইদৰেই প্ৰেম কৰিব পাৰি গোপনে..। কথাবোৰটো অবান্তৰ নহয় অথচ ভালপোৱা বোৰোতো মিছা নহয়! নদীপৰীয়া এজাক কুমলীয়া বতাহে বহুবোৰ অপ্ৰকাশিত ভালপোৱা কঢ়িয়াই লৈ গক্সল দুয়োৰে অন্তৰ ভেদি। এই ভালপোৱা, এই সম্পৰ্ক সকলোৰে উৰ্দ্ধত, তুংগত। নামহীন অথচ বেইমান নহয়। তেতিয়ালৈ আকাশ আৰু নদীখনৰ ৰঙ একেই হৈ পৰিছিল। দূৰৰ পৰা গম্ভীৰ বেলিটো নদীৰ বুকুত আত্মজাহঁ দিয়াৰ দৰেই অস্ত গৈছিল। এইয়া নদীখনৰ প্ৰাপ্তি নে আকাশৰ অপ্ৰাপ্তি হিচাপ কৰি চাবলৈ সিহঁত! আপুনি! মই অপাৰাগ। তেতিয়ালৈ সিহঁত দুয়ো আগবাঢ়ি গৈছিল। আৰু সিহঁত যোৱা দিশে কিছুমান স্বৰ্গীয় ভালপোৱা, ত্যাগ আৰু নিঃস্বাৰ্থ প্ৰেমৰ খোজ সময়ৰ বালিচৰত পৰি ৰৈছিল আৰু পৰি গৈছিল।

# মধ্যযুগীয় সাহিত্য

যোৱা খণ্ডৰ পৰা

পুলিন ডেকা



তথাপি এই সময়ছোৱাত কবিতাই কলাত্মক প্ৰকাশৰ মাধ্যম হিচাপেও উজলি উঠে। গীতিময় কবিতা, বেলাড, গীতবোৰ অৱশ্যে কবিতা আছিল। কিন্তু ৰাজদৰবাৰৰ প্ৰেমৰ মহান ৰোমাঞ্চ মহাকাব্যৰ দৰে গদ্যত লিখা হৈছিল। মধ্যযুগত লিখাৰ ক্ষেত্ৰত মৌলিকতাক সাংস্কৃতিক মূল্যবোধৰ পৰিসৰলৈ নিব পৰা নাছিল। বহু লেখকে ছদ্মনামেৰে লিখাৰ বাবে প্ৰকৃত লেখকৰ নাম জনাটো সম্ভৱ হৈ নুঠিল। খ্ৰীষ্টীয় ত্ৰয়োদশ আৰু চতুৰ্দশ শতিকাত লেখকসকলে নিজস্ব নামেৰে লিখাৰ প্ৰতি আগ্ৰহী হৈ উঠে। মধ্যযুগীয় ইউৰোপীয়ান সাহিত্যৰ কথা ক'লেই মনলৈ আহে জিঅফ্ৰি চ'চাৰ, লংলেণ্ড, মে'লৰি, ডাণ্টে, বিউলফৰ দৰে লেখকসকলৰ নাম। চতুৰ্দশ শতিকাত ৰচিত ডাণ্টেৰ 'ডিভাইন কমেডী' আজিও বিশ্ব সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ গ্ৰন্থ হিচাপে চিহ্নিত হৈ ৰৈছে। ই পশ্চিমীয়া ইতিহাসৰ দলিল। সাহিত্য আৰু ধৰ্মতত্ত্বৰ প্ৰকাশভংগী চমৎকাৰ। চ'চাৰে 'দ্য কেণ্টাৰবেৰী টেলছ'ত বিদ্যমান সাহিত্যৰ উৎসৰ পৰা সংগ্ৰহ কৰি তাক অভিযোজনা কৰিছিল। ইয়াৰ কাব্যিক শক্তি আৰু বিষয়বস্তুৰ উপস্থাপন মূল্যৰ উপৰি চতুৰ্দশ শতিকাৰ বিভিন্ন সামাজিক শ্ৰেণীৰ চিত্ৰণ মন কৰিবলগীয়া। উইলিয়াম শ্বেইক্সপীয়েৰ আৰু ফ্লেচাৰে তেওঁলোকৰ নাটকত চ'চাৰৰ 'দ্য টু নোবেল'ক উৎস হিচাপে ব্যৱহাৰ কৰিছিল। মধ্যযুগীয় ইংলেণ্ডৰ কাহিনীৰে মাজেৰী কেম্পে লিখিছিল 'দ্য বুক অব মাজেৰী কেম্প'। এই গ্ৰন্থখন নিস্বাৰ্থ বিশ্বাস আৰু প্ৰেমৰ এখন আত্মজীৱনী। দুঃসাহসিক বিবৰণেৰে মাৰ্কো প'লোৱে লিখিছিল। 'ট্ৰেভেলছ' নামৰ গ্ৰন্থখন। ৰজা আৰ্থাৰৰ কাহিনীৰ আধাৰত লিখা হৈছিল 'দ্য হিষ্টী অৱ দ্য কিংছ অব ব্ৰিটেইন'। জিঅফ্ৰিৰ এই কিতাপখনৰ মাজেৰে আৰ্থুৰিয়ান কিংবদন্তীৰ বহু আইকনিক বৈশিষ্ট্যও প্ৰকাশ কৰিছে। লেটিন ভাষাত ১১৩৫ চনত লিখা হৈছিল। প্ৰেম, যুদ্ধ আৰু বীৰত্বৰ আধাৰত দ্বাদশ আৰু তেৰশ শতিকাত লিখা 'দ্য মেবিনোজিয়ন' গ্ৰন্থখন অন্যতম গুৰুত্বপূৰ্ণ গদ্য গ্ৰন্থ। ১৪৮৫ চনত প্ৰকাশিত থমাছ মেল'ৰিৰ 'লে মৰ্টে ডি আৰ্থাৰ' হ'ল পশ্চিমৰ আটাইতকৈ প্ৰাচীন উপন্যাস। প্ৰাচীন মেছোপটেমিয়াৰ পৰা মহাকাব্যিক কবিতাৰ আৰম্ভণি হয়। 'দ্য এপিক অব গিলগামেছ'ত পোৱা যায় আধ্যাত্মিকতাৰ সুৰ। ইউৰোপৰ মহাকাব্যিক চেতনাৰ উন্মেষ হয় গ্ৰীচত। হোমাৰে সূচনা কৰা সেই কাব্যিক অনুভূতি আছিল অনন্য। হেচিঅ'ড, এপল'নিয়াছ, অভিড, লুকান, ষ্টেটিয়াছ আদি কবিসকলৰ কাব্যিক শৈলী আছিল সুতীব্ৰ। ভাৰ্জিলে ৰোমান সাম্ৰাজ্যৰ মহাকাব্যিক কবিতা প্ৰস্তুত কৰিছিল। এইসকল কবিয়ে পৌৰাণিক কালতে কবিতাৰ আদিপাঠ গঢ়ি তুলিছিল। মধ্যযুগৰ পূৰ্বে ৰচিত এইসমূহ কবিতাই ইয়াৰ সুকীয়া চৰিত্ৰ বহন কৰে। প্ৰাচীন ভাৰতীয় ধ্ৰুপদী গ্ৰন্থসমূহ কাব্যিকতাৰে পূৰ্ণ। কিন্তু ১৩২০ চনত সম্পূৰ্ণ কৰা ডাণ্টেৰ 'দা ডিভাইন কমেডী' অনন্য ৰূপত উদ্ভাসিত হৈ উঠে। মধ্যযুগৰ মহান স্পেনিছ মহাকাব্যসমূহৰ ভিতৰত অন্যতম হৈছে 'দ্য পয়েম অব চিআইডি' কেষ্টিটিলিয়ান বীৰৰ সঁচা কাহিনীৰ আধাৰত ১২০৭ চনৰ ভিতৰত লিখা হৈছিল। ফৰাচী মহাকাব্যক এক নতুন গতি প্ৰদান কৰিছিল চেনছন ডি বলেণ্ডে। এই গ্ৰন্থখনে ১২০০ শতিকাৰ পৰা ১৮০০ শতিকাৰ ভিতৰত যথেষ্ট জনপ্ৰিয়তা আহৰণ কৰিছিল। মধ্যযুগৰ সাহিত্যৰ শ্ৰেণীবিভাগ কৰিলে প্ৰতিটো সময়তে সুকীয়া সাহিত্যৰ ধাৰা দেখিবলৈ পোৱা যায়। আৰম্ভণিৰ মধ্যযুগ, উচ্চ মধ্যযুগ আৰু শেষৰ মধ্যযুগত সাহিত্যৰ পাৰ্থক্য বিৰাজমান। প্ৰাথমিক মধ্যযুগ একাদশ শতিকালৈ দেখা যায়। এংলো-ছেক্সনসকলে এই সময়ছোৱাত খ্ৰীষ্টান ধৰ্মৰ সৈতে সামাঞ্জস্য ৰাখি সাহিত্যৰ বিন্যাস কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। উচ্চমধ্যযুগ আৰম্ভ হৈছিল নৰ্মান আক্ৰমণৰ সময়ত। এই সময়ছোৱাত সাহিত্যৰ লক্ষণীয় পৰিৱৰ্তন দেখা যায়। শেষৰ সময়ছোৱাত সাহিত্যই জীৱনৰ স্পন্দ বিচাৰিবলৈ আৰম্ভ কৰে। মধ্যযুগীয়া সাহিত্য যুক্তিনিৰ্ভৰ নহয়। সাধাৰণতে আৱেগৰ প্ৰাধান্য দেখিবলৈ পোৱা যায়। জাৰ্মানীৰ বীৰত্বপূৰ্ণ কবিতাবোৰে মূল্যবোধৰ ধাৰণা এটিও দিব বিচাৰিছিল। মধ্যযুগীয় সাহিত্যৰ মাজেৰে সৃষ্টি হোৱা আন্তঃসাহিত্যৰ সোঁতটোৱে বিশ্ব সাহিত্যৰ পটভূমি এটি নিৰ্মাণ কৰে। আধুনিক চিন্তাৰ পাতনি মেলে। মধ্যযুগীয় লেখকসকলে জাতি, ধৰ্ম আৰু বিজ্ঞানৰ বিষয়ে অন্বেষণ কৰিছিল। উচ্চমধ্যযুগৰ পৰা অৰ্থনৈতিক আৰু ভূখণ্ডৰ সম্প্ৰসাৰণ, জনগাঁথনি আৰু নগৰমুখী চেতনা, জাতীয় পৰিচয়ৰ উত্থান, ধৰ্মনিৰপেক্ষ আৰু গিৰ্জাৰ প্ৰতিষ্ঠানৰ পনৰ্গঠন আদিৰ সৃষ্টি হৈছিল, যিবোৰ সাহিত্যৰ উপাদানলৈ পৰিবৰ্তন হৈছিল। মধ্যযুগ সাহিত্য আৰু সাংস্কৃতিক চেতনাই প্ৰকৃতাৰ্থত নৱজাগৰণৰ পথ প্ৰশস্ত কৰে।

# ভাষাৰ কথা নাই, কলকাতা

উঠে। বাংলা ছবি আৰু বাংলা গীতৰ সংকলনত প্ৰায় ৫০০ ৰো অধিক গীত গা সুৰ দিয়ে। জনপ্ৰিয় গীতৰ সংকলনবোৰ- 'নানা অনুভূতিৰ গান', 'আমি এক যাযাবৰ', 'আমাৰ ভাল লাগা গান, 'বিন্দুতে সিন্ধু', 'মাগুেলা ও নতুন গান, 'আমি আৰ মোৰ ছায়া', 'নতুন দিনেৰ ডাক', 'আমৰা যাত্ৰী একই তৰণীৰ', 'শাৰদী শিশিৰে মুকুতা', 'আমাৰ এ গান তুমি গোয়া', 'একখান মেঘ ভেসে এলো আকাশে', 'উজান টানে', 'আমি মানুষকে ভালবাসি'। উষা মংগেশকাৰৰ বাংলা গীতৰ সংকলনতো ভূপেনদাৰ কণ্ঠৰ গীত আছে। 'গ'ল্ড ডিস্ক'ৰ 'শ্যামল শ্ৰদ্ধাঞ্জলি'ৰ প্ৰথমটো গীতেই ভূপেনদাৰ সুৰ-কণ্ঠৰ 'চৈতালি চাঁদ যাক যাক ডুবে যাক'। কলকাতাৰ ভূপেনদাৰ বিভিন্ন সংগীতানুষ্ঠানৰ গীতৰ সংকলন 'নহওঁ ৰণক্লান্ত' খুবেই জনপ্ৰিয়। 'এইচ এম ভিৰ শ্ৰেষ্ঠ বাংলা গীতৰ সংকলনত চেনাটা ভূপেনদাৰ গীত আছে। 'কলকাতা য়ুথ ক্লাব'ৰ এক গীতৰ সংকলনত 'বিস্তীৰ্ণ দুপাৰে', 'প্ৰথম না হয়', 'দোলা হে দোলা' এই তিনিটা ভূপেনদাৰ গীত সমবেত কণ্ঠত আছে। কলকাতা তথা পশ্চিমবংগই বঁটা, সন্মানেৰে ভূপেনদাক ওপচাই দিয়ে-দক্ষিণ কলকাতা ক্ৰীড়া আৰু সংস্কৃতি পৰিষদে 'সেৰা', 'দম্পতী' ছবি বাবে 'ৰাজ্যিক সংগীত পৰিচালকৰ বঁটা, 'মহুৱা সুন্দৰী', 'নাগিনী কন্যাৰ কাহিনী'ৰ বাবে দুবাৰকৈ 'ঋত্বিক ঘটক বঁটা, 'সংগীত একাডেমী' সন্মান, 'বেংগল জাৰ্নেলিষ্ট এই চিয়েচনে ইন্দিৰা গান্ধী স্মৃতি সন্মান এ আই চিত্ৰ ( All India Critic Association) 'কলা শিৰোমণি' পশ্চিমবংগ চৰকাৰে 'নাগৰিক বঁটা', 'প্ৰমথেশ বৰুৱা বঁটা, 'মদন মোহন মালব্য বঁটা' আদি প্ৰদান কৰে। বাংলাদেশেও ভূপেনদাক শ্ৰদ্ধা, সন্মান, মৰম কৰে। নকবিবনো কিয়? বাংলাদেশৰ জন্মলগ্নতে পাইছিল 'জয় জয় বাংলাদেশ...। ভূপেনদাৰ 'মানুহে মানুহৰ বাবে ....' গীতৰ বাংলা সংস্কৰণ 'মানুষ মানুষেৰ জন্যে' গীতটো বাংলাদেশত জাতীয় সংগীতৰ সমপৰ্যায়ৰ গীতৰ স্বীকৃতি লাভ কৰে। ২০০২ চনৰ বিবিচিৰ তথ্যমতে, কুৰি শতিকাৰ শ্ৰেষ্ঠ গীত -'মানুষ মানুষেৰ জন্যে'। ১৯৮৪ চনত 'বাংলাদেশ শিল্পকলা একাডেমীৰ আমন্ত্ৰণত ঢাকা টেলিভিছনত সংগীত পৰিৱেশন কৰে, সংগীত সন্মিলনত যোগদান কৰে। বাংলাদেশ সাহিত্য একাডেমী, বাংলাদেশ মহিলা সমিতি, নেচনেল প্ৰেছক্লাব, ঋষিক গোষ্ঠী, ঢাকা ক্লাব, বিশ্ববিদ্যালয় আদিৰ পৰা সন্মান, সম্বৰ্ধনা লাভ কৰে। ১৯৯২ চনত বাংলাদেশ কালচাৰেল এছ'চিয়েচনৰ আমন্ত্ৰণক্ৰমে আমেৰিকাৰ চিকাগো, নিউয়ৰ্ক, আটলাণ্টা, পেন্সিলভেনিয়া, নিউজাৰ্ছি আদিত গীত পৰিৱেশন, ভাষণ প্ৰদান কৰে। বাংলাদেশৰ সৰ্বোচ্চ সন্মান 'মুক্তিযোদ্ধা' মৰণোত্তৰভাৱে ভূপেনদাৰ প্ৰদান কৰা হয়। মহাপ্ৰয়াণৰ ইমান বছৰৰ পাচতো ভূপেনদাৰ মৃত্যুবাৰ্ষিকী, জন্মদিৱস বাংলাদেশত বিভিন্ন সংগঠন, অনুষ্ঠানে উদযাপন কৰি আহিছে। ভূপেনদাই 'ভাষাৰ কথা নাই', 'কলকাতা মোৰ দ্বিতীয় মাতৃভূমি', 'গংগা মোৰ মা, পদ্মাও মোৰ মা' বুলি মনে-প্ৰাণে ভাবিব পাৰিছিল কাৰণেই এয়া সম্ভৱ হৈছিল। এইজন ভূপেনদাই ভাষা আন্দোলনৰ সময়ত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ গৈ হেমাংগ বিশ্বাসৰ সৈতে 'ৰংমন হাৰাধন'ৰ গীত গাই গাই বঙালী- অসমীয়াৰ মাজত সম্প্ৰীতিৰ বাণী বিলাইছিল। সৌ সিদিনা শিলচৰত অসমীয়া ভাষাক অপমান কৰাসকলো কথাবোৰ এবাৰ ভাবক আৰু ভুল সংশোধন কৰক, শান্তি-সম্প্ৰীতি বজাই ৰাখক। মাতৃভাষা ভিন্ন হ'লেও আমি একেখন মাতৃভূমিতে বসবাস কৰো। সেইখন মাতৃভূমি 'অ' মোৰ আপোনাৰ দেশ'ত 'অসমৰ সুৱদি মাত', 'অমাতৰ মাত'ক সন্মান কৰক। ভূপেনদাৰ 'মানুষ মানুষেৰ জন্যে' কথাষাৰ বুজিবলৈ চেষ্টা কৰক।

# হেৰুৱা সময় বিচাৰি

সংগীতা ডেকা, ৰঙিয়া



ভাল সময়...!  
সাঁচি ৰাখিছোঁ গোপনে মই...!  
যাক হয় তো,  
কেৱল অজুহাত বুলি তুমি আজি অভিমান কৰিছা....!  
কিন্তু, জানো মই...!  
এদিন হ'লেও, মোৰ পৰি। ম  
আৰু মোৰ ভাৱনা,  
সফল হ'ব  
সাৰ্থক হ'ব  
পিছে, তুমি চাগে....!  
নকওঁ দিয়া মই ন...!!  
ভাৱগধুৰ ভাৱনাৰে  
প্লাৱিত মোৰ মনগহন....  
শব্দহীনতাৰ সাক্ষী  
ভিজা ভিজা দুনয়ন ।  
আৰু তুমি...!  
মৌন হয়েই সমাদৃত হ'লা হি  
মোৰ অস্তিত্বত  
সেয়ে এতিয়া,  
উত্তৰ বিহীন মইজনী....!

# আঞ্চলিক পশুধন উদ্যমিতা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠান, ৰাণীত ক্ষেত্ৰ সহায়কৰ এবছৰীয়া প্ৰশিক্ষণ পাঠ্যক্ৰমৰ শুভাৰম্ভ

ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ ৰাণীত থকা পশুপালন আৰু পশুচিকিৎসা বিভাগৰ আঞ্চলিক পশুধন উদ্যমিতা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠানত ক্ষেত্ৰ সহায়কৰ এবছৰীয়া প্ৰশিক্ষণ পাঠ্যক্ৰমৰ আনুষ্ঠানিক উদ্বোধনী কাৰ্যসূচীত মুখ্য অতিথি ৰূপে অংশ গ্ৰহণ কৰি পশুপালন আৰু পশুচিকিৎসা মন্ত্ৰী অতুল বৰাই মন্তব্য কৰেযে, ৰাজ্যৰ কৃষিভিত্তিক অৰ্থনীতিক শক্তিশালী কৰি তুলিবলৈ অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৃষি পশুপালন তথা আনুষংগিক খণ্ডসমূহৰ বিকাশত গুৰুত্ব আৰোপ কৰিছে। এনে গুৰুত্বৰ অংশ হিচাপেই পশুপালন বিভাগটোক দক্ষ মানব সম্পদৰ নিযুক্তিত গুৰুত্ব দিয়া হৈছে। মন্ত্ৰী বৰাই তেওঁৰ ভাষণত কয় যে, শেহতীয়াভাৱে পশুপালন খণ্ডই ৰাজ্যখনৰ নিবনুৱা যুৱক-যুৱতীসকলক স্ব-নিৰ্ভৰশীলতাৰ নিৰ্ভৰযোগ্য উৎস হিচাপে আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এই পশুপালকসকলক উন্নত কাৰিকৰী জ্ঞানেৰে সমৃদ্ধ কৰি পশুপালন খণ্ডটোক সঠিক দিশেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত বিভাগৰ ক্ষেত্ৰ সহায়কসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ থল আছে। উল্লেখযোগ্য যে, পশুপালন বিভাগে মুঠ ৩৭৮ গৰাকী পশুপালন ক্ষেত্ৰ সহায়ক নিৰ্বাচন কৰি ইয়াৰ ভিতৰৰ দুশ গৰাকীক ৰাণীৰ পশুধন- উদ্যমিতা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠানত এবছৰীয়া প্ৰশিক্ষণ-পাঠ্যক্ৰম আৰম্ভ কৰিছে। পশুপালনৰ ক্ষেত্ৰ সহায়কসকলক পশুপালন বিভাগৰ মেৰুদণ্ড বুলি অভিহিত কৰি পশুপালন মন্ত্ৰীগৰাকীয়ে প্ৰশিক্ষাৰ্থীসকলক



প্ৰশিক্ষণৰ অন্তত চৰকাৰৰ পৰিকল্পনাক বাস্তৱ ৰূপ দিয়াৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনায়। সভাত পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, অসম হাঁহ-কুকুৰা আৰু পশুধন উন্নয়ন নিগমৰ অধ্যক্ষ মনোজ শইকীয়া, পশুপালন বিভাগৰ আয়ুক্ত সচিব জয়ন্ত নাৰ্লিকাৰ, বিভাগটোৰ সঞ্চালক ইন্দিৰা কলিতা, যুটীয়া সঞ্চালক অঞ্জনাভ চলিহা, দুগ্ধ উন্নয়ন সঞ্চালক উৎপল শৰ্মা, পশুধন-উদ্যমিতা আৰু ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ সঞ্চালক ড° নৃত্য নাৰায়ণ মহন্ত উপস্থিত থাকে।


# অসমত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে কেইবাটাও সশস্ত্ৰ আদিবাসী সংগঠনৰ সৈতে স্বাক্ষৰিত হ'ল শান্তি চুক্তি

ৰঙিলী বাৰ্ত্তাসেৱা- অসমত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে কেইবাটাও সশস্ত্ৰ আদিবাসী সংগঠনৰ সৈতে স্বাক্ষৰিত হ'ল শান্তি চুক্তি। এই চুক্তিৰ জৰিয়তে ৰাজ্যখনত বাস কৰা আদিবাসী লোকসকলৰ ভাষা, কলা-সংস্কৃতি সুৰক্ষাৰ লগতে সামাজিক আৰু অৰ্থনৈতিক বিকাশৰবাবে বহুকেইটা সুদূৰপ্ৰসাৰী পদক্ষেপ গ্ৰহণ কৰা হ'ব। নতুন দিল্লীত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত আয়োজিত এক বৈঠকত বিয়লি প্ৰায় পাঁচ বজাত স্বাক্ষৰিত কৰা হয় এই চুক্তি। চুক্তিখনত বীৰছা কমাণ্ডো ফৰ্চ, আদিবাসী কোব্ৰা মিলিটেৰি অব্ আছাম, আদিবাসী পীপলছ আৰ্মি, অল আদিবাসী নেশ্যনেল আৰ্মি, চাওতাল টাইগাৰ ফৰ্চ, অল আদিবাসী নেশ্যনেল আৰ্মি (এফ জি), বীৰছা কমাণ্ডো ফৰ্চ (বাদল টুডু) আৰু আদিবাসী কোব্ৰা মিলিটেৰি অব্ আছাম (এফ জি)ৰ নেতৃত্বৰ লগতে ৰাজ্য চৰকাৰৰ হৈ মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, গৃহ মন্ত্ৰালয়ৰ উত্তৰ-পূৱৰ দায়িত্বত থকা অতিৰিক্ত সচিব পীয়ুষ গোৱেলসহ চুক্তি স্বাক্ষৰৰ সময়ত দুয়োপক্ষৰ সাক্ষী হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বাক্ষৰ কৰে। প্ৰণিধানযোগ্য যে আদিবাসী সকলক জনজাতিৰ মৰ্যাদা প্ৰদানৰ কাম ক্ষিপ্ৰ কৰি তোলাৰ লগতে চুক্তিখনত আদিবাসীসকলৰ বিকাশৰ বাবে এখন আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদ গঠন কৰা হ'ব বুলি উল্লেখ কৰা হৈছে। আনহাতে আদিবাসীসকলৰ উন্নয়নৰ বাবে মুঠ এহেজাৰ কোটি টকাৰ বিশেষ পেকেজ প্ৰদান কৰা হ'ব। পাঁচ বছৰত ব্যয় কৰিবলগীয়া এই ধনৰাশিৰ ভিতৰত পাঁচশ কোটি টকা ৰাজ্য চৰকাৰে আৰু পাঁচশ কোটি টকা কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰিব। এই বিশেষ পেকেজৰ ধনৰাশি প্ৰদানৰ ক্ষেত্ৰত প্ৰতিবছৰে কেন্দ্ৰীয় চৰকাৰে এশ কোটি আৰু ৰাজ্য চৰকাৰে এশ কোটিকৈ টকা পাঁচ বছৰলৈ প্ৰদান কৰিব। আদিবাসীসকলৰ শিক্ষা আৰু সংস্থাপনৰ ক্ষেত্ৰত বিশেষ সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। সেইদৰে মূলসুঁতিলৈ অহা উগ্ৰপন্থী সংগঠনৰ সদস্যসকলক পুনৰ সংস্থাপনৰ পদক্ষেপ লোৱা হ'ব। বিশেষকৈ তেওঁলোকক চৰকাৰী সশস্ত্ৰ বাহিনীত নিয়োগ কৰা হ'ব। ১৯৯৬, ১৯৯৮ আৰু ২০১৪ চনত ৰাজ্যখনত হোৱা জনগোষ্ঠীয় সংঘৰ্ষত ক্ষতি হোৱা আদিবাসী লোকসকলৰ পৰিয়ালক এক লাখকৈ টকা ক্ষতিপূৰণ প্ৰদান কৰাৰ লগতে আদিবাসীসকলৰ ভূমিৰ অধিকাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰতো পদক্ষেপ গ্ৰহণ কৰিব চৰকাৰে। জনগোষ্ঠীটোৰ লোকসকলৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে এজন কেবিনেট মন্ত্ৰীৰ নেতৃত্বত এখন কমিটী গঠন কৰিব। উক্ত কমিটীখনে সমগ্ৰ বিষয়টো অধ্যয়ন কৰি প্ৰতিবেদন



দাখিল কৰিব। সেই অনুসৰি জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। জনগোষ্ঠীটোৰ ভাষা, কলা-সংস্কৃতি সুৰক্ষাৰ বাবেও চুক্তিখনত ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰা হৈছে। সেই অনুসৰি তিনিচুকীয়া, গোলাঘাট, শোণিতপুৰ, বাক্সা, কাৰ্বি আংলং, চিৰাং, ওদালগুৰি আৰু কোকৰাঝাৰ জিলাত আদিবাসী অঞ্চলত মডেল স্কুল খোলা হ'ব। কোকৰাঝাৰ, শোণিতপুৰ আৰু গোলাঘাটত খোলা হ'ব দক্ষতা বিকাশ কেন্দ্ৰ। আনহাতে স্বাক্ষৰিত হোৱা শান্তি চুক্তিখন ৰূপায়ণৰ ক্ষেত্ৰত সকলো দিশ চোৱাচিতাৰ বাবে কেন্দ্ৰ, ৰাজ্য আৰু আদিবাসী সশস্ত্ৰ সংগঠনৰ নেতৃত্বক লৈ এখন যুটীয়া কমিটী গঠন কৰা হ'ব। এই শান্তি চুক্তিৰ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, সাংসদ কামাখ্যা প্ৰসাদ তাছা, পল্লৱ লোচন দাস, ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, মুখ্য সচিব পৱন বৰঠাকুৰ, আই বি ৰ মুৰব্বী তপন কুমাৰ ডেকা, আলোচনাৰ মধ্যস্থতাকাৰী এ কে মিশ্ৰকে ধৰি গৃহ মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

# বৃদ্ধি হোৱা বিদ্যুতৰ মাছুল সন্দৰ্ভত মন্ত্ৰীৰ তুলুঙা মন্তব্য



ৰঙিলী বাৰ্ত্তাসেৱা- হঠাৎ অভাৱনীয় হাৰত বৃদ্ধি পাইছে বিদ্যুতৰ মাচুল।বৃদ্ধি হোৱা বিদ্যুৎ মাচুলত অতিষ্ঠ হৈ পৰিছে সাধাৰণ জনতা। এমাহৰ ভিতৰত দুগুণ পৰ্যন্ত বৃদ্ধি পাইছে বিদ্যুতৰ বিল। নতুন ডিজিটেল মিটাৰ ব্যৱহাৰৰ পিছতে বিদ্যুতৰ মাচুল বৃদ্ধিৰ অভিযোগ উত্থাপন হৈছে। কিন্তু সাধাৰণ জনতাক সকাহ দিয়াৰ পৰিৱৰ্তে চৰকাৰৰ এগৰাকী দায়িত্বশীল মন্ত্ৰী পীযুষ হাজৰিকাই কৰা মন্তব্যক লৈ পুনৰ সামাজিক মাধ্যমত সচেতন লোকসকলে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বৃদ্ধি হোৱা বিদ্যুতৰ মাছুল সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী পীযূষ হাজৰিকাই কয় যে, “চৰকাৰী চাকৰিয়ালৰ দৰমহা প্ৰতিমাহে বাঢ়িলে বিদ্যুতৰ মাচুলো অলপ বাঢ়িবই।চৰকাৰী চাকৰিয়ালৰ প্ৰতিমাহে দৰমহা বাঢ়ে।গতিকে বিদ্যুৎ মাচুল বঢ়াতো ডাঙৰ কথা নহয়। চৰকাৰী চাকৰিয়ালৰ প্ৰতিমাহে ২০০-৩০০ টকাকৈ বৃদ্ধি পাই দৰমহা। নিয়মমাফিক মাছুল বাঢ়িবই, বেছি বাঢ়িলে আমি ব্যৱস্থা ল'ম।”

# বি বৰুৱা কলেজৰ প্ৰতিষ্ঠা দিৱস উদযাপন

ৰঙিলী বাৰ্ত্তাসেৱা- উত্তৰ পূৰ্বাঞ্চলৰ আগশাৰীৰ অন্যতম শিক্ষানুষ্ঠান বি বৰুৱা কলেজৰ ৮০ সংখ্যক প্ৰতিষ্ঠা দিৱস কলেজ প্ৰাংগণত অনুস্থিত হয়। ৰাতিপুৱা কলেজৰ পতাকা উত্তোলন তথা ভোলানাথ বৰুৱাৰ প্ৰতিমূৰ্তি আৰু শ্বহীদ বেদীত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ কাৰ্যসূচীৰে আৰম্ভ হোৱা প্ৰতিষ্ঠা দিৱসৰ মুকলি সভা অনুস্থিত হয়। কলেজৰ শিক্ষয়িত্ৰী সকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰে কলেজৰ অধ্যক্ষ ড° সত্যেন্দ্ৰ নাথ বৰ্মনে। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ শিক্ষা উপদেষ্টা তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ননী গোপাল মহন্ত। ড° মহন্তই ভাষণ প্ৰসংগত সাউদ ভোলানাথ বৰুৱাৰ গোটেই ভাৰতত বিস্তৃত ব্যৱসায় তথা সা সম্পত্তি আৰু বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা শিক্ষানুষ্ঠানক কৰা বিভিন্ন সাহাৰ্য্যৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। ইয়াৰ উপৰিও কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত উল্লেখযোগ্য অবদান আগবঢ়োৱা তথা কলেজৰ প্ৰথম জন অধ্যক্ষ ভাৰতৰত্ন গোপীনাথ বৰদলৈক শ্ৰদ্ধাৰে স্মৰণ কৰে। ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি নতুন শিক্ষানীতিৰ বিষয়ে কিছু আলোকপাত কৰে। কলেজ পৰিচালনা সমিতিৰ সভাপতি অধ্যাপক পাৰ্থ প্ৰতিম বৰুৱাই কলেজৰ ঐতিহ্য তথা বিভিন্ন বিদ্যায়তনিক দিশৰ ওপৰত বক্তব্য প্ৰদান কৰে। কলেজৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি সমাজৰ বিভিন্ন দিশত আগবঢ়োৱা অৱদানৰ বাবে প্ৰতি বছৰে একোজন বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। এইবাৰো তাৰ ব্যতিক্ৰম নহৈ বিশিষ্ট চলচ্চিত্ৰ পৰিচালক, নিৰ্মাতা, বিশিষ্ট নাট্যশিল্পী সঞ্জীৱ হাজৰিকাক সম্বৰ্ধনা জনোৱা হয়। সভাত উপস্থিত থকা কলেজৰ অৱসৰপ্ৰাপ্ত শিক্ষক সকলক সম্বৰ্ধনা জনোৱা হয়। আবেলি শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী দ্বাৰা এখন আটকধুনীয়া সাংস্কৃতিক অনুষ্ঠান অনুস্থিত হয়। উক্ত সাংস্কৃতিক অনুষ্ঠানৰ শুভ উদ্বোধন কৰে বিশিষ্ট সংগীত শিল্পী জে পি দাসে। সন্ধিয়া ছাত্ৰ একতা সভাৰ উদ্যোগত শিক্ষক তথা কেইবা শ ছাত্ৰ ছাত্ৰীৰ উপস্থিতিত ৮০ সংখ্যক কলেজ জন্মজয়ন্তীৰ কেক কটা কাৰ্য্য সম্পন্ন কৰে অধ্যক্ষই আৰু শেষত কলেজ প্ৰাংগনত বন্তি প্ৰজ্বলনেৰে প্ৰতিষ্ঠা দিৱসৰ দিনজোৰা কাৰ্য্যসুচীৰ সামৰণি পৰে ।

ENGLISH NEWS SECTION

# PEC demands fair trial to detained Burmese journalists



Guwahati, RB News: Press Emblem Campaign (PEC), the global media safety and rights body, has expressed its concern over the relentless arrest and imprisonment of working journalists in Myanmar (also known as Burma and Brahmadesh) since last year's military coup and urged the authorities for ensuring fair trials to all the detained journalists. Media reports from Yangon, the former capital of the southeast Asian nation, reveal that a freelance news presenter for BBC Burmese was imprisoned on 15 September for three years with hard labour by a military court in Insein prison. Htet Htet Khine was arrested on 15 August last year and she remains behind bars for over a year in the notorious jail of Yangon.The popular journalist presented a Burmese language program named 'Khan Sar Kyi' for the British broadcaster where she narrated stories of many Burmese political and social leaders in the backdrop of impending civil war in the poverty stricken country. She was accused of using provocative words against the military junta while working for many unlawful organisations. Since the coup on 1 February 2021, the military dictators have forced many media outlets to shut down their offices inside Myanmar. Nearly 145 journalists have been arrested till now and one third of them are still under detention. We demand an unconditional release of all journalists by the military authority, said Blaise Lempen, president of PEC (www. pressemblem.ch). As Myanmar is facing a civil war like situation where the soldiers were attacking the pro-democracy activists belonging to different organisations and a few resistant groups have taken arms in hands to target the military personnel along with their relatives and well-wishers, the journalists have been facing a difficult situation. PEC's southeast Asia representative Nava Thakuria informs that the journalists can be arrested for any piece that the generals do not like.

# Assam CM inaugurates 16-crore Kaliabor hospital



Guwahati, RB News: Assam chief minister Himanta Biswa Sarma on Wednesday ceremonially inaugurated the Kaliabor subdivision civil hospital, built at a cost of 16.25 crore, at the sub-divisional headquarter of Nagaon district. The three- storeyed state- of-the-art hospital should be able to fulfill the hopes and aspirations of local people to a great extent, commented Sarma."He further added that the State government has been contemplating upgrading the sub-divisional civil hospital to a 200-beddeddistrict hospital. Sarma expressed gratitude towards Boeing India for donating the high-tech equipment such as CT-scan machines to the hosp tal. Referring to the resolution of transforming Assam into one of the top-performing States on various healthcare- related parameters, Sarma said the current dispensation is working tirelessly to achieve that end. From just three medical colleges recently, the State can boast of nine institutions dedicated to study of medical sciences, asserted Sarma adding the plan is to take the number of medical colleges to 16 by 2026. He further stated, from just a single cancer hospital earlier, Assam is now having nine hospitals dedicated to cancer care. In a few years, the total number of cancer hospitals in the State would go up to 18, he announced. Speaking on the subject of health insurance as a necessary measure for timely access to best-available health services, Sarma termed Atal Amrit and Ayushman Bharat schemes as best welfare policies of the government. He urged everyone to cooperate with the government in the ongoing Aadhaar- seeding of Atal Amrit and Ayushman Bharat beneficiaries, so that maximum number of people can avail benefits of both the schemes.Earlier, CM Sarma visited Kamakhya Devalaya on a Kaliabor hilltop near mighty river Brahmaputra to offer prayers at the shakti peeth.

# Assam Governor launches blood donation drive in Raj Bhavan on PM Modi's birthday



Guwahati, RB News: Raj Bhavan, Assam in association with Akhil Bharatiya Terapanth Yuvak Parishad on the occasion of Prime Minister Narendra Modi's birthday, launched a blood donation drive at Raj Bhavan campus. Assam Governor Prof. Jagdish Mukhi on the occasion thanked and congratulated all the leaders and youth of the Akhil Bharatiya Terapanth Yuvak Parishad for organizing the blood donation camp synchronizing with the birthday of the Prime Minister. "Such an endeavour is really a fitting recognition to the Prime Minister who has been tirelessly working for the uplift of the all sections of the people of the country", the Governor added. He also said that such a drive would generate awareness in the society about the need for blood donation and the health benefits of donating blood. The Governor also thanked the blood donors who have come forward to donate blood to help those who need it for a lease of life. The Governor also appealed to all to come forward and donate blood for it is the greatest sacrifice one can make to give life to someone who really needs it.

# Assam Governor inaugurates Braille edition of Hemkosh dictionary

Guwahati, RB News: Assam Governor Prof. Jagdish Mukhi inaugurated the Braille edition of Hemkosh dictionary at a function held in Vivekananda Kendra, Uzanbazar in the city. Speaking on the occasion, the Governor said, Today is a proud moment for Assam and its people as Sadin-Pratidin Group has given a new dimension to the Assamese language by publishing the Braille Dictionary. This endeavour will also increase the parameter of Hemkosh as from today onwards, the visually challenged people can also enjoy the benefits of Hemkosh. I congratulate the entire team on this noble cause." The Governor further added, "We know that the only means of reading and writing for the visually challenged is the Braille script which was invented by a French writer Louis Braille in 1821. It makes me happy that the Sadin-Pratidin Group has brought out the Braille version of its prestigious dictionary Hemkosh for the visually challenged which is commendable. I believe that this Assamese Braille Dictionary will definitely help in improving the education quality of visually challenged children of the state." Prof.Mukhi also expressed happiness to learn that in the year 1919, the first publication of the dictionary Hemkosh was published by Hem Chandra Baruwa who gave a new identity and a new direction to the Assamese language through Hemkosh which consistently remained a favorite for everybody. Hailing the efforts of Jayanta Barua, the Governor said that that for the first time in the country someone has started "Assamese Braille Dictionary" which is highly appreciable.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

১ আহিন ১৪২৭ চন Rongili Barta, Date of Publication--18 September, 2022


# বিশ্বকৰ্মা জয়ন্তী

ইকবাল হুছেইন



হিন্দু ধৰ্মৰ অতি গুৰুত্বপূৰ্ণ আৰু পৱিত্ৰ উৎসৱ হৈছে বিশ্বকৰ্মা পূজা। এই বিশ্বকৰ্মা পূজা বা বিশ্বকৰ্মা জয়ন্তী ভাৰতবৰ্ষৰ ত্ৰিপুৰা, অসম, পশ্চিম বংগ, বিহাৰ, কৰ্ণাটক, ঝাৰখণ্ড, উৰিষ্যা আদি ৰাজ্যত প্ৰতিবছৰ ভাদ মাহৰ সংক্ৰান্তি বা কণ্যা সংক্ৰান্তিত বৰ উলহমালহেৰে পালন কৰা হয়। এই পৱিত্ৰ উৎসৱটি বিযেশকৈ কল-কাৰখানা, গেৰেজ আদি উদ্যোগিক স্থানসমূহত পালন কৰা হয়। হিন্দু ধৰ্মত শ্ৰী শ্ৰী বিশ্বকৰ্মাক বিশ্বৰ নিৰ্মাতা তথা দেৱতাসকলৰ খনিকৰ বুলি বিশ্বাস কৰা হয়। আজি নিৰ্মাণ-সৃজনৰ দেৱতা তথা দেৱশিল্পৰ আৰাধনা আৰু জয় ধ্বনিৰে মুখৰিত হ'ব ৰাজ্যৰ আকাশ-বতাহ। ইতিমধ্যে পূজা মণ্ডপ সমূহ আটকধুনীয়াকৈ সজাই পৰাই তোলা হৈছে। জাকজমকতাৰে পৰিপূৰ্ণ পূজা মণ্ডপ সমূহ আলোকসজ্জাৰে সজ্জিত কৰি ভক্ত বিন্দুৰ বাবে মুকলি কৰা হৈছে। পূজা মণ্ডপ সমূহৰ এই মনোমোহা দৃশ্যই ধৰ্মপ্ৰাণ ৰাইজক আকৰ্ষিত কৰা দেখা গৈছে। সম্প্ৰতি বিশ্বকৰ্মা পূজাক কেন্দ্ৰ কৰি ৰাজ্যৰ চাৰিওঁফালে কেৱল আনন্দ উল্লাসৰ বাতাবৰণ। উল্লেখ্য যে, হিন্দু ধৰ্ম শাস্ত্ৰমতে বিশ্ব-ব্ৰহ্মাণ্ড সৃষ্টিৰে পৰা আজিলৈ যিমান সময় (বছৰ) অথবা কাল হ'ল তাকে চাৰিটা ভাগত ভাগ কৰা হৈছে। একোটা ভাগক যুগ বুলি কোৱা হয়। সত্যযুগ, ত্ৰেতাযুগ, দ্বাপৰযুগ আৰু কলিযুগ। হিন্দু ধৰ্ম মতে বিশ্বকৰ্মাই এই চাৰিওটা যুগতেই সৃষ্টি কৰিছে। শাস্ত্ৰত কোৱা হৈছে, 'বিশ্বকৰ্মাই সত্যযুগত স্বৰ্গলোক সৃষ্টি কৰিছিল। ত্ৰেতা যুগত সোণৰ লঙ্কা সৃষ্টি কৰিছে। দ্বাপৰ যুগত দ্বাৰকা নগৰ সৃষ্টি কৰিছে আৰু কলিযুগত হস্তিনাপুৰ তথা ইন্দ্ৰপ্ৰস্থ সৃষ্টি কৰিছে'। আজি সেই বিশ্বখনিকৰক সন্তুষ্ট কৰি তেওঁৰ আশীষ লাভ কৰিবলৈ পূজাৰ ব্যৱস্থা কৰা হৈছে। প্ৰসংগত উল্লেখ্য যে, বিশ্বকৰ্মা জয়ন্তী তেতিয়াহে স্বাৰ্থক হ'ব যেতিয়া বিশ্বকৰ্মাৰ সৃষ্টিৰাজিক অন্তকৰণেৰে অনুসৰণ কৰি সমাজত আস্থা-বিশ্বাস, শ্ৰদ্ধা-ভক্তি, প্ৰেম-ভালপোৱা, সমন্বয়-সম্প্ৰীতি তথা সহিষ্ণুতাৰ বাতাবৰণ সৃষ্টিত মনোনিবেশ কৰা হ'ব। মানৱীয় গুণেৰে পৰিপুষ্ট হৈ দেশ তথা দহৰ শান্তি আৰু প্ৰগতিৰ স্বাৰ্থত আহোপুৰুষাৰ্থ কৰা হ'ব। হিংসা, ঘৃণা, নিন্দা, বিভেদ, বিদ্বেষ, বৈষম্য, ঈৰ্ষা, শত্ৰুতা তথা অশান্তিৰে ভৰপূৰ এইখন বাৰেৰহণীয়া ফুলনি বাগিচা সুদৃশ্য ৰাম-ৰহিমৰ দেশত ঐক্য-শান্তি স্থাপন কৰা হ'ব। হয়, এইসমূহ মহান আৰু পূজনীয় কাম কৰিলে নিশ্চিতভাৱে উৎসৱ-পৰ্বৰ সমানেই অন্তৰত অফুৰন্ত শান্তি, তৃপ্তি, আনন্দ আৰু স্বৰ্গীয় সুখানুভূতি লাভ হ'ব। একেদৰে মুছলমান সকলেও কেৱল ঈশ্বৰৰ উপাসনা কৰিয়েই সৰগীয় বাসিন্দা হৈ পৰাৰ ভ্ৰম ত্যাগ কৰি সমাজৰ লগতে ৰাষ্ট্ৰৰ প্ৰতি থকা দ্বায়িত্বৰ কৰ্তব্যও পালন কৰিব লাগিব। দেশৰ একতা, শান্তি, উন্নতি আৰু পৰস্পৰৰ মাজত বিশ্বাস স্থাপনেৰে পাৰস্পৰিক সম্পৰ্ক সুদৃঢ় কৰিবলৈ আহোপুৰুষাৰ্থ কৰিব লাগিব। তদুপৰি সমাজৰ পৰা অপৰাধ-অপকৰ্ম তথা অসামাজিক পাপ কাৰ্যসমূহ নাইকিয়া কৰাৰ লগতে সমাজ সংস্কাৰৰ ওপৰত জোৰ দিব লাগিব। বিযেশকৈ সাম্প্ৰতিক সময়ত 'ধৰ্ম, সমাজ তথা ৰাষ্ট্ৰ'ৰ বাবে অতিকৈ বিপদজনক হৈ উঠা মাদক দ্ৰব্য অৰ্থাৎ 'ড্ৰাগছ'ক নিৰ্মূল কৰিবই লাগিব, অন্যথা পূজা বা ঈশ্বৰ উপাসনা অৰ্থহীন হোৱাই নহয় বৰঞ্চ এইসমূহ ধৰ্ম কাৰ্য এদিন সংকটাপন্ন হোৱাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি।

Beauty of the Week   Art of the Week
আৰু · Photography of the Week লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286







Address- Bharalumukh, opposite- YAMAHA Show room, Above- Professional Salon



ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286